সপ্তস্বৰা

Waves of creation and Golden melodies



সম্পাদক : বিক্রম জিৎ দাস

সহ: সম্পাদক : নৱজিৎ গগৈ

নৱম সংখ্যা


BOYS' HOSTEL
SIBSAGAR COLLEGE, JOYSAGAR

সপ্তস্বৰা

নৱম সংখ্যা

২০২৫ বৰ্ষ

সশ্রদ্ধ প্রীতি আৰু শুভেচ্ছাৰে -

With reverence, Love and Best Wishes

প্রতি/To.....

.....

সম্পাদক

বিক্রম জিৎ দাস

সহঃ সম্পাদক

নৱজিৎ গগৈ

SOPTASWARA: A souvenir published on the occasion of "Freshers' Social" organized by Old Boys' Hostel (OBH): Sibsagar University, on 19th October 2025.

সপ্তস্বৰা - ২০২৫ বৰ্ষ

সম্পাদনা সমিতি

মুখ্য উপদেষ্টা
ডঁ মহাদেৱ পাটগিৰি

উপদেষ্টা
ডঁ প্ৰফুল্ল চন্দ্ৰ কলিতা

শ্ৰীযুত দিগন্ত ববা
ডঁ পৰাগ ৰাজখোৱা

শ্ৰীযুত নয়ন চেতিয়া
শ্ৰীযুত আদেশ দে
শ্ৰীযুত প্ৰকাশ গগৈ

সম্পাদক
বিক্ৰম জিৎ দাস


সহঃ সম্পাদক
নৱজিৎ গগৈ

কাৰিকৰী সহযোগী
কাৰ্চিক তাকাৰ মিপুন
দেৱপ্ৰতিম শইকীয়া

সম্পাদনা সহযোগী
স্নাতক প্ৰথম, তৃতীয়,পঞ্চম ষাণ্মাসিক আৰু স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিকৰ আৱাসীসকল

প্ৰকাশক : পুৰণা ছাত্ৰাৱাস, শিৱসাগৰ বিশ্ববিদ্যালয়

প্ৰকাশ কাল : ১৯ অক্টোবৰ ২০২৫ বৰ্ষ



কাৰিকৰী সহায়ক আৰু অলংকৰণ


বেটুপাত ডিজাইন:

দেৱপ্ৰতিম শইকীয়া

ডি. টি. পি অ'পাৰেটৰ:

কাৰ্চিক তাকাৰ মিপুন

*Source of photos and frames : Internet



অর্পণ

বর্তমানৰ পুৰণা ছাত্ৰাৱাসৰ অধীক্ষক ডঃ পৰাগ ৰাজখোৱা ছাৰৰ লগতে
আমাৰ অনুপ্ৰেৰণাৰ উৎস স্বৰূপ
সমূহ প্ৰাক্তন আৱাসী আৰু প্ৰতিটো মুহূৰ্ততে হোষ্টেলখনৰ উন্নতিৰ হকে
জড়িত হৈ বিভিন্ন উপদেশ তথা সহায় সহযোগিতা আগবঢ়োৱা প্ৰতিজন
শুভাকাংক্ষীলৈ ২০২৫ বৰ্ষৰ ‘সপ্তস্বৰা’ অৰ্পণ কৰিলোঁ

শ্ৰদ্ধাৰে

সম্পাদনা সমিতি



শ্রদ্ধাঞ্জলি

যাৰ গানত প্ৰাণ পাই উঠিছিল পথাৰৰ সোণোৱালী ধাননীয়ে, মুকলি আকাশৰ জাক জাক পখীয়ে, নিজান বননিৰ বাঁহীৰ সুৰে, যৌৱনৰ মিঠা পৰশে, নীলা সাগৰৰ অন্তহীন গভীৰতাই আৰু শতসহস্ৰ জনতাৰ সুৰভি হৃদয়ে। সেইজনা মহান শিল্পী, অসমীয়াৰ স্বাভিমান, যুৱপ্ৰজন্মৰ হাৰ্টথ্ৰব আমাৰ সকলোৰে মৰমৰ জুবিন দা লৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

পুৰণা ছাত্ৰাৱাসৰ হৈ

সম্পাদনা সমিতি

সপ্তস্বৰা - ২০২৫

শুভেচ্ছা বাণী



শিৱসাগৰ বিশ্ববিদ্যালয়ৰ ছাত্রাৱাসৰ এই বছৰৰ নৱাগত আদৰণী সভাৰ লগত সংগতি ৰাখি 'সপ্তস্বৰা' শীৰ্ষক বাৰ্ষিক ই-আলোচনীখন প্রকাশ ক�ৰিবলৈ প্রয়াস কৰাৰ কথা জানিবলৈ পাই আনন্দিত হৈছোঁ। ছাত্র সকলৰ সৃজনী প্রতিভা আলোচনীখনত লিখা গল্প, প্রবন্ধ, কবিতাৰ জৰিয়তে প্রকাশ পাব আৰু ভৱিষ্যতেও লেখকসকলে ইয়াৰ দ্বাৰা সৃষ্টিশীল কামত নিজকে নিয়োজিত কৰি ৰাখিবলৈ উৎসাহ পাব। কলেজ, বিশ্ববিদ্যালয়ৰ আৱাসৰ আলোচনী অথবা প্রাচীৰ পত্রিকাত লিখা আৰম্ভ কৰি পাছলৈ প্রতিষ্ঠিত হোৱা লেখকৰ উদাহৰণ বহুত আছে। সেয়েহে এনেকুৱা প্রচেষ্টা সদায় আদৰণীয় লগতে প্রশংসনীয়ও। এই চেগতে আলোচনীখনৰ সম্পাদনা সমিতিৰ লগতে সমূহ আৱাসীক অভিনন্দন জনালোঁ। আশা ৰাখিছোঁ যাতে নতুন-পুৰণি আৱাসী সকলে নিয়মীয়াকৈ পাঠ্যপুথি পঢ়া-শুনা কৰাৰ লগতে সৃজনীমূলক কামৰ চর্চা, নিয়মিত ব্যায়াম, খেলা-ধূলা অনুশীলনৰ জৰিয়তে এক সুস্থ মন আৰু স্বাস্থ্যৰ অধিকাৰী হৈ এখন সুন্দৰ সমাজ গঢ় দিবলৈ নিজকে প্রস্তুত কৰে আৰু ভাতৃত্ববোধেৰে আবাসৰ পৰিৱেশ আনন্দময় কৰি ৰাখে।

ধন্যবাদ সহকাৰে—

প্রাধ্যাপক মহাদেৱ পাটগিৰি

উপাচার্য, শিৱসাগৰ বিশ্ববিদ্যালয়

Dr. Profulla Chandra Kalita, M.Sc., Ph.D.
Registrar
Sibsagar University

SIBSAGAR UNIVERSITY
P.O. : Joysagar-785665, Sivasagar, Assam
Phone No. : 94355-00022 (M)
Email : registrar@sibsagaruniversity.ac.in

Ref. No. SU/RG/Misc/2025/856

Date: 07/10/25



শুভেচ্ছা বাণী

শিৱসাগৰ বিশ্ববিদ্যালয়ৰ পুৰণা ছাত্রাবাসৰ পুৰণী আৱাসীসকলে ন আবাসীসকলক আদৰণি জনোৱাৰ উদ্দেশ্যে 'সপ্তস্বৰা' নামৰ আলোচনী খনৰ নৱম সংখ্যাটি ই-আলোচনী ৰূপত প্রকাশ পাব বুলি জানি নথৈ আনন্দিত হ'লোঁ। ছাত্রসকলৰ সাহিত্য সৃষ্টিৰ ই এক বাটকটীয়া আৰু সচাঁকৈ প্রশংসনীয় পদক্ষেপ হ'ব। আশাকৰোঁ এই সৃষ্টিৰাজিয়ে সাহিত্য জগতলৈ অৰিহণা যোগাব। লগতে, 'সপ্তস্বৰা' ৰ যোগেদি বহুতো নতুন নতুন লেখকে নিজৰ সৃষ্টিশীল প্রতিভাৰ বিকাশ কৰিবলৈ সুবিধা পাব আৰু অসমীয়া সাহিত্য জগতত সুখ্যাতিৰে নিজকে প্রতিষ্ঠিত কৰিব পাৰিব।

'সপ্তস্বৰা' আলোচনীখনৰ সফলতা কামনাৰ লগতে ইয়াৰ লগত জড়িত সকলো ছাত্র আৰু বিষয়ববীয়ালৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

আন্তৰিক শুভেচ্ছাৰে,

Office of the Registrar Sibsagar University
Date.....
Sivasagar

(ড° প্রফুল্ল চন্দ্র কলিতা)
পঞ্জীয়ক
শিৱসাগৰ বিশ্ববিদ্যালয়



শুভেচ্ছা বার্তা

শিৱসাগৰ বিশ্ববিদ্যালয়ৰ পুৰণি ছাত্রাবাসৰ পৰা প্রস্তুত কৰিবলৈ লোৱা ই-আলোচনী " সপ্তস্বৰা" আৰু "সপ্তস্বৰা"ৰ সম্পাদনা কমিটিলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু উষ্ম আদৰণি জনাইছোঁ। "সপ্তস্বৰা" নামটোৱেই বিভিন্ন প্রতিভাৰ সুমধুৰ মিলনৰ প্রতীক। ছাত্রাবাসত থকা বিভিন্ন পটভূমিৰ ছাত্রৰ মিলনো এই আলোচনীতে প্রতিফলিত হয়।এখন আলোচনী ছাত্র-ছাত্রীৰ সাহিত্যিক,সাংস্কৃতিক আৰু সৃজনশীল প্রতিভা প্রকাশৰ উৎকৃষ্ট মঞ্চ।ছাত্রসকলৰ নিজৰ চিন্তা, সপোন আৰু অভিজ্ঞতাৰ স্বৰ এই আলোচনীৰ পাতত প্রকাশ কৰি আগন্তুক জীৱনযাত্রাতো অনুপ্রেৰণা লাভ কৰিব বুলি মোৰ দৃঢ় বিশ্বাস।

নতুন চিন্তা,সৃষ্টিশীলতা আৰু ঐক্যৰ ধ্বনিৰে "সপ্তস্বৰা" আলোচনীৰ অনাগত যাত্রা সাফল্যমণ্ডিত হওঁক আৰু প্রতিবছৰে অধিক সমৃদ্ধ আৰু সমুজ্জ্বল হৈ উঠক– এই শুভকামনা জনাইছোঁ।

দিগন্ত বৰা
ছাত্র কল্যাণ গুৰু,
শিৱসাগৰ বিশ্ববিদ্যালয়
তাৰিখ : ২৭- ০৯ -২০২৫
Dean, Students' Welfare (I/c)
Sibsagar University
Sivasagar



Greetings from the Superintendent….

Respected Editors and Esteemed Members of the Board,

It gives me immense pleasure to extend my warm greetings to all of you. Your dedication, creativity, and commitment to excellence play a vital role in shaping the vision and quality of this magazine. I sincerely appreciate the time, effort, and expertise you invest in bringing out a publication that reflects the thoughts, talents, and voices of our beloved students.

Together, may we continue to inspire, inform, and engage our readers through this collaborative endeavor. Wishing the magazine great success and a bright future ahead.

With warm regards,
Parag Rajkhowa
Superintendent, Boys Hostel
Sibsagar University
Date: 03-10-2025

সম্পাদনা সমিতি



ড° মহাদেৱ পাটগিৰি
মুখ্য উপদেষ্টা



ড° প্রফুল্ল চন্দ্র কলিতা
উপদেষ্টা



শ্রীযুত দিগন্ত বৰা
উপদেষ্টা



ড° পৰাগ ৰাজখোৱা
উপদেষ্টা



নয়ন চেতিয়া
উপদেষ্টা



আদেশ দে
উপদেষ্টা



প্রকাশ গগৈ
উপদেষ্টা



বিক্রম জিৎ দাস
সম্পাদক



নৱজিৎ গগৈ
সহঃ সম্পাদক

সম্পাদনা সমিতি



দেৱপ্রতিম শইকীয়া
কাৰিকৰী সহায়ক
বেটুপাত অংকন



কার্শিক তাকাৰ মিপুণ
কাৰিকৰী সহায়ক
ডি. টি. পি অ'পাৰেটৰ



পল্লৱ গগৈ
সদস্য



বাস্তৱ শইকীয়া
সদস্য



পার্থপ্রতীম হাতীমূৰীয়া
সদস্য



পলাশ প্রতিম দত্ত
সদস্য



তিক্ষিৰাজ শইকীয়া
সদস্য

হোষ্টেলৰ কার্যকৰী সদস্যসকল



শ্রীযুত দিগন্ত বৰা

ছাত্র কল্যাণ আচার্য



ডঁ পৰাগ ৰাজখোৱা

হোষ্টেল অধীক্ষক



বাস্তৱ শইকীয়া

মণিটৰ



শ্রীযুত সুৰেশ বৰা

চতুর্থ বর্গৰ সহায়ক



শ্রীযুত ৰমেন ভূঞা

চতুর্থ বর্গৰ সহায়ক



শ্রীযুত লক্ষী কলিতা

চতুর্থ বর্গৰ সহায়ক

সূচীপত্র

⇒ সম্পাদকীয়

⇒ মণিটৰৰ একাষাৰ

◆ **প্ৰবন্ধ শিতান -----**

⇒ পৃথিৱী কোন দিশে গৈ আছে...! বাস্তব শইকীয়া/৩

⇒ নেপালত প্ৰতিবাদৰ জুই : ৰাজনৈতিক আৰু সামাজিক প্ৰতিক্ৰিয়া -- মানস প্ৰতিম চেতিয়া/৫

⇒ দৃষ্টিভংগীৰ গুৰুত্ব - ঋতুৰাজ গগৈ/৭

⇒ অপাৰেশ্যন সিন্দূৰ- ২০২৫ ভাৰত - পাকিস্তান যুদ্ধৰ প্ৰেক্ষাপটত। - লক্ষ্যদ্বীপ বৰা/৮

⇒ ভ্ৰমণ নো কি ? - দীপজ্যোতি চুতীয়া/৯

⇒ ভিন্সেন্ট ভান গ'ঘ: The Mad Dutchman.- মুকুন্দ মাধৰ কোঁচ/১০

⇒ Hostel Life: A Journey of Growth, Challenges and Memories.- Dr Parag Rajkhowa/১২

⇒ Honeybees - Pallab Gogoi/১৬

⇒ Assam's Chip Dream: TATA's Jagiroad Semiconductor Faculty and India's Tech Future - Deepjyoti Chutia/১৭

⇒ Human Eyes and their Psychological Behaviour - Arun Pegu/১৮

⇒ The Missing Tribe of Assam: A Riverine Community of Northeast India - Anal Panging/১৯

⇒ The Art of Storytelling: Why Anime Speaks to Everyone ?- Debapratim Saikia/২০

⇒ A Note on the Conversation with Bishrut Saikia- Pragyan Sonowal/২২

◆ **গ্ৰন্থ সমালোচনাৰ শিতান**

⇒ The Death Cure- Pankaj Protim Borgohain/২৪

◆ **অনুভৱৰ শিতান**

⇒ A Physics Student's Story: My Journey into Geography - Anshu Keot/২৭

⇒ Hostel Life: My Second Home - Sauravjit Mech/২৮

◆ **ভ্ৰমণ কাহিনীৰ শিতান**

⇒ ডাম্বুকলৈ যাত্ৰা - বেদব্ৰত দত্ত/৩০

◆ **কবিতাৰ শিতান**

⇒ জ্যোতিৰ মল্লিকা - বিক্ৰম জিৎ দাস/৩৩

⇒ শান্তিৰ ভগ্ন স্বপ্ন - পাৰ্থ প্ৰতীম হাতীমূৰীয়া/৩৪

⇒ বিমূৰ্ত নিশা - তিক্ষিৰাজ শইকীয়া/৩৫

⇒ কল্পনা - শান্তনু মহন/৩৬

⇒ মোৰ মৌনতা - শান্তনু মহন/৩৬

⇒ ৰৌদ্ৰতাপ - পলাশ প্ৰতিম দত্ত/৩৭

⇒ আধুনিকতা - বেদব্ৰত দত্ত/৩৮

⇒ হেৰাই যোৱা সপোনৰ আস্তাবলত মই - দেৱপ্ৰতিম শইকীয়া/৩৯

⇒ বৈ যোৱা বন্ধু বৈ যোৱা - বাস্তৱ শইকীয়া/৪০

⇒ পুৰণা ছাত্ৰাবাসৰ সপোন - মানৱ জ্যোতি কপ্তাক/৪১

⇒ ফাগুন - নৱজিৎ গগৈ/৪২
⇒ হেল'জেন লাইট — ধীৰাজ সোণোৱাল/৪৩
⇒ The Quiet Room - Agam Pegu/৪৪
⇒ The Weight of a College Degree - Eshan Boruah Dey/৪৫
⇒ तेरी याद मैं - बिक्रम जीत दास/৪৬
⇒ आजादी - बिक्रम जीत दास/৪৬
⇒ एक गुलाब ऐसी भी - मुकुंद माधव कौंच/৪৭
⇒ सेना - अंग्शु केओट/৪৮

◆ **অনুগল্পৰ শিতান**

⇒ ভোক - ত্রিবিক্রম মিলি/৫০
⇒ ঘাট-মাউৰা - অনুৰাগ এম. চাংমা/৫০
⇒ মতিভ্রম - পল্লৱ গগৈ/৫১
⇒ জীৱন - হৰিশ চাংমাই/৫১
⇒ জাল - নৱজিৎ গগৈ/৫১

◆ **চুটিগল্পৰ শিতান**

⇒ The Quiet Ache - Karsik Takar Mipun/৫৩
⇒ স্মৃতিৰ বিষাদ চকুলো - তিক্ষিৰাজ শইকীয়া/৫৪

◆ **আলেখ্যৰ শিতান**

⇒ স্বপ্ন উপত্যকাইদি এই বাটে.... - নয়ন চেতিয়া/৫৭

সাম্প্রতিক সমাজ আৰু বহুমুখী শিক্ষাৰ গুৰুত্ব



সম্পাদকীয়

ড০ সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছিল, “শিক্ষাৰ লক্ষ্য শাৰীৰিক, বৌদ্ধিক, ৰাজনৈতিক অথবা অৰ্থনৈতিক মানুহ সৃষ্টি কৰা নহয়। ইয়াৰ উদ্দেশ্য হ’ল নৈতিক আৰু আধ্যাত্মিক তথা এক সম্পূৰ্ণ মানুহ সৃষ্টি কৰাহে।” বৰ্তমান সময়ত সমাজৰ প্ৰায় প্ৰতিজন ব্যক্তিয়েই শিক্ষা গ্ৰহণৰ গুৰুত্ব সম্পৰ্কে সচেতন। নিজৰ সন্তানক শিক্ষিত কৰি এজন সু-প্ৰতিষ্ঠিত ব্যক্তি হিচাপে গঢ়ি তুলিবলৈ প্ৰতিগৰাকী পিতৃ-মাতৃৰে মনত এক প্ৰবল আশা থাকে। নাথাকিবনো কেলেই আজিকালিৰ দিনত মানুহে এটা চৰকাৰী চাকৰিৰ কাৰণে যিমান দৌৰিব লগা হয় তাৰ লেখ লোৱাটো কঠিন। কিন্তু মন কৰিবলগীয়া কথা যে,পিতৃ-মাতৃৰ এই আশা পূৰণৰ বাবে হয়টো বহু সন্তানে নিজৰ আশাৰ বলিদান দিছে। নিজৰ ঘৰখনৰ বাবে এটা চাকৰি আনিবলৈ দিনে-ৰাতিয়ে অহোপুৰুষাৰ্থ কৰিছে, ওচৰ-চুবুৰীয়াৰ ঠাট্টা-মস্কৰা শুনিছে আৰু বহুক্ষেত্ৰত মানসিক স্থিৰতা হেৰুৱাই পলকতে নিজৰ জীৱন শেষ কৰি দিছে। এটা জীৱনৰ লগত পৰীক্ষা বহীৰ নম্বৰকেইটা তুলনা কৰাতো অবাঞ্ছিত কথা। কিন্তু আজিৰ দুনিয়াত নিজৰ যোগ্যতা প্ৰকাশৰ ক্ষেত্ৰত নম্বৰেই প্ৰথম ভূমিকা লোৱা দেখা যায়। এক কথাত নম্বৰেই নিৰ্ধাৰণ কৰি দিব আপোনাৰ জীৱনৰ মানদণ্ড কেনেকুৱা হ’ব। মোৰ প্ৰশ্ন হ’ল নম্বৰক ইমান প্ৰাধান্য দিয়াৰ আঁৰত কি শক্তি লুকাই আছে?এইক্ষেত্ৰত ভুল কাৰ? পিতৃ-মাতৃৰ নে, শিক্ষাক্ষেত্ৰখনৰ নে বৌদ্ধিক ৰূপৰ অলংকাৰ পিন্ধা সমাজখনৰ? ‘শিক্ষা’ শব্দটোৰ পৰিসৰ বহল। ই কেৱল আনুষ্ঠানিক পাঠ্যপুথিকেন্দ্ৰিক কেতিয়াও হ’ব নোৱাৰে। US department of Education ৰ পূৰ্বৰ সচিব William Bennett য়ে কৈছিল, ” The arts are an essential element of education, just like reading, writing and arithmetic.... music, dance, painting & theater are all says that unlock profound human understanding and accomplishment.” বৰ্তমান সময়ত এই উক্তিটোৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। কেৱল চৰকাৰী চাকৰিৰ পিছত দৌৰি থকাতকৈ নিজৰ অন্তৰ্নিহিত প্ৰতিভা বিকাশ কৰি সেই ক্ষেত্ৰখনত কাম কৰাৰ সাহস অতি কম সংখ্যক মানুহৰ মনতহে গঢ় লৈ উঠিছে। বহু সময়ত আমি দেখো স্নাতকোত্তৰ কৰি থকা ছাত্ৰই চাহৰ দোকান দিছে, হোটেল খুলিছে, টিউচন চেণ্টাৰ খুলিছে, খেতি কৰিছে, সংগীতজ্ঞ বা গীতিকাৰ হৈছে। এয়াটো কোনো লাজৰ কথা নহয়। তেওঁলোকে চৰকাৰী চাকৰিৰ পিছত দৌৰি নাথাকি নিজকে স্বাৱলম্বী কৰি তুলিছে। মোৰ দৃষ্টিত তেওঁলোক প্ৰশংসাৰ পাত্ৰ। কাৰণ তেওঁলোক সমাজৰ বাবে বোজা নহয়। প্ৰতিটো সৰু বৰ কামৰে মহত্ব আছে। কোনোবাটো কাম সৰু বুলি তাক অৱহেলা কৰাটো অনুচিত। যদি আমি উন্নত দেশবোৰলৈ মন কৰোঁ, তাত এজন মুচিৰো স্বকীয়তা আছে, সন্মান আছে। এই কথা নকৈ নোৱাৰি যে দেশ এখন সুস্থ ৰূপত পৰিচালনা কৰাৰ ক্ষেত্ৰত উচ্চ ডিগ্ৰীধাৰী ব্যক্তিসকলৰ দৰেই সমাজৰ ক্ষুদ্ৰ বৰ্গৰ ব্যক্তিসকলৰ অৰিহণা যথেষ্ট আছে।

আজিৰ পিতৃ- মাতৃয়ে নিজৰ সন্তানক ডাক্তৰ, ইঞ্জিনিয়াৰ কৰাৰ সপোন দেখে। কিবা কথাত সন্তানে যদি কয়, তেওঁৰ ইচ্ছা কেৱল সাহিত্যিক হোৱাৰ বা অন্য ব্যৱসায় কৰাৰ, তেতিয়া হয়তো বেছিভাগ পিতৃ-মাতৃয়েই সেই ইচ্ছাক আওকাণ কৰিব, বেলেগ দিশ দিয়াৰ চেষ্টা কৰিব। এই কথা মই ক'ব খোজো কোনো সন্তানে গৰ্ভৰ পৰা ডাক্তৰ,ইঞ্জিনিয়াৰৰ প্ৰশিক্ষণ লৈ নাহে। তেওঁলোকৰ বিকাশৰ লগে লগে, কি বিষয়ৰ প্ৰতি তেওঁলোক আগ্ৰহী, তেওঁলোকে তাত উন্নতি কৰাৰ অৱকাশ আছে নে, তাৰ গম লোৱাতো সম্পূৰ্ণ পিতৃ- মাতৃৰ তথা শিক্ষক সমাজৰ কৰ্তব্য। যদি তেনে নহয়, তেতিয়াহ'লে আমি ভৱিষ্যতে হ'ব পৰা জুবিন গার্গ,নৰেন্দ্ৰ মোদী,শচীন তেণ্ডুলকাৰৰ দৰে ব্যক্তিক হেৰুৱাম। 'সপ্তস্বৰা'আলোচনীখনৰ সম্পাদক হিচাপে এই বৰ্ষৰ দায়িত্ব মোৰ ওপৰতে আৱাসীসকলে ন্যস্ত কৰিলে। মোৰ দায়িত্ব এইখন যিমান পাৰি শুদ্ধ ৰূপত পাঠক সমাজৰ বাবে মুকলি কৰি দিয়াটো। লগতে হোষ্টেল যে প্ৰতিভা বিকাশৰ এক কেন্দ্ৰ হ'ব পাৰে সেই কথা পোহৰলৈ অনাটো ইয়াৰ বাবে যিমান পাৰি আবাসীসকলৰ মনৰ পৰা তেঁওলোকৰ শুই পৰা লেখক জনক জাগ্ৰত কৰি বাহিৰলৈ উলিয়াই আনিবলৈ চেষ্টাহে মাথোঁ কৰিছোঁ। সপ্তস্বৰাৰ নৱম সংখ্যাটোৱে আমাৰ বাবে বিশেষ ৰূপত পৰিচয় বহন কৰিছে। কাৰণ 'সপ্তস্বৰা' আলোচনীখনক আমি প্ৰথম বাৰৰ বাবে e-magazine হিচাপে প্ৰকাশ কৰি উলিয়াবলৈ প্ৰচেষ্টা হাতত লৈছো। যিটোৱে হয়তো এক ইতিহাসৰ ৰূপত অনাগত ভৱিষ্যতে অহা নৱাগতসকলক সদায় অনুপ্ৰেৰণা যোগাই থাকিব।

আলোচনীখনৰ সফল ৰূপায়ণত প্ৰতি সময়তে সহায় তথা বহুমূলীয়া উপদেশ প্ৰদান কৰি সঠিক পথ দেখুওৱা পুৰণা ছাত্ৰাৱাসৰ অধীক্ষক তথা শিক্ষাবিভাগৰ সহকাৰী অধ্যাপক ড০ পৰাগ ৰাজখোৱা ছাৰৰ লগতে বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ অধ্যাপক আদেশ দে ছাৰ আৰু অসমীয়া বিভাগৰ অধ্যাপক প্ৰকাশ গগৈ ছাৰক আমাৰ তৰফৰ পৰা অশেষ ধন্যবাদ জনাইছোঁ। ইয়াৰ উপৰি পুৰণা ছাত্ৰাৱাসৰ প্ৰাক্তন আৱাসী তথা জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ গৱেষণাৰত নয়ন চেতিয়া দাদাক তেওঁৰ অতি মূল্যবান সময় আমাক দি সহায় কৰাৰ বাবে অশেষ ধন্যবাদ জনাইছোঁ। লগতে আলোচনীখনৰ কাৰিকৰী দিশত অনবৰতে লাগি থকা অনুজ কাৰ্চিক তাকাৰ মিপুন, দেৱপ্ৰতীম শইকীয়া আৰু সহকাৰী সম্পাদক নৱজিৎ গগৈকো এই আপাহতে ধন্যবাদ জনাইছোঁ। আশাকৰো আলোচনীখন পাঠক সমাজে আদৰি লোৱাৰ লগতে ভুল- ত্ৰুটিসমূহ আঙুলিয়াই দি আমাৰ কষ্ট সার্থক কৰি ভৱিষ্যতেও এনে সৃষ্টিশীল কামসমূহ কৰি যাবলৈ উৎসাহ যোগাব।

বিক্ৰম জিৎ দাস

বি. এড.

তৃতীয় যাণ্মাসিক

***

মণিটৰৰ একাষাৰ



ঐতিহ্যমণ্ডিত শিৱসাগৰ বিশ্ববিদ্যালয়,(জয়সাগৰ)-ৰ এক অবিচ্ছেদ্য অংগ পুৰণা ছাত্রাৱাস। আজিৰ পৰা প্রায় ৭৩ বছৰৰ পূর্বে জয়সাগৰ পুখুৰীৰ পাৰত প্রাণ পাই উঠা পুৰণা ছাত্রাৱাস কেৱল এখন ছাত্রাৱাসেই নহয়, ই হৈছে প্রতিজন আৱাসীৰ দ্বিতীয়খন ঘৰ। বহুতো ছাত্রই এই আৱাসৰ পৰাই সোণালী ভৱিষ্যতৰ সপোন ৰচিবলৈ সক্ষম হৈছে। প্রত্যেক বছৰেই নিজক গঢ়াৰ মানসেৰে এমুঠি সেউজীয়া আশা, চকুত তৰুণ হেঁপাহ, বুকুত আকাশ চোৱাৰ সপোন লৈ নতুনৰ আগমন ঘটে। ছাত্রাৱাসত জীৱনৰ বুনিয়াদ তৈয়াৰ কৰিবলৈ অহা প্রতিগৰাকী জ্ঞান অন্বেষণৰ পথিকক সজোৰে বুকুৰ উমত আশ্রয় দি এই পুৰণা ছাত্রাবাসে ৭৩ টা বসন্ত পাৰ কৰিও সগৌৰৱে থিয় হৈ আছে জয়াতীর্থৰ পাৰত। বিগত বর্ষবোৰৰ দৰে এই বর্ষটো বহুতো তৰুণ পথিকে সোণবৰণীয়া আশাৰ কুঁকি লৈ নিজৰ সপোনবোৰ বাস্তবায়িত কৰাৰ মানসেৰে ভৰি দিছে এই পুৰণা ছাত্রাৱাসত। ছাত্রাৱাসৰ প্রতিজন আৱাসীয়ে সময়ৰ দোলকত ইজনে সিজনৰ লগত গভীৰ আন্তৰিকতা, ভাতৃত্ববোধ আৰু ভালপোৱাৰ সমন্বয়ৰ ডোলেৰে বান্ধ খাই পৰে।

পুৰণা ছাত্রাৱাস প্রতিজন আৱাসীৰ বাবে ভালপোৱা, হেঁপাহ আৰু আৱেগ। প্রতিজন আৱাসীয়ে অতিবাহিত কৰা ছাত্রাৱাসৰ তিনিটা সোণালী বসন্তৰ মধুৰ স্মৃতি অতি ৰোমাঞ্চিত। সুখ-দুখ, হাঁহি-কান্দোন, পোৱা-নোপোৱা এই সকলোবোৰৰ মাজেৰে এটা পৰিয়ালৰ দৰেই পাৰ কৰিছে সময়বোৰ। আলোক-সন্ধানী এই পলাশৰ চহৰলৈ তথা পুৰণা ছাত্রাৱাসলৈ অহা প্রতিজন নৱাগতক উষ্ম আদৰণি জনাইছোঁ। তোমালোক প্রত্যেকেই যাতে নিজ লক্ষ্যৰ শীর্ষত উপনীত হোৱা আৰু জীৱন গঢ়াৰ শিক্ষাৰ পাতনি মেলা আমাৰ ঐতিহ্যমণ্ডিত শিৱসাগৰ বিশ্ববিদ্যালয়ৰ পৰা, নিজৰ বিভাগৰ পৰা আৰু বিশ্ববিদ্যালয়ৰ তোমালোকৰ অতি আদৰৰ পুৰণা ছাত্রাৱাসৰ পৰাই।

পৰিশেষত ছাত্রাৱাসৰ প্রতিজন নৱাগতলৈ আন্তৰিক মৰম আৰু হার্দিক শুভকামনা জনালোঁ। জীৱনৰ ৰণখনত তোমালোক জয়ী হোৱা, আগবাঢ়ি যোৱা সফলতাৰ দিশে, নিষ্ঠা আৰু সততাৰে সমাজৰ প্রতি আগবঢ়াই যোৱা সেৱা। ছাত্রাৱাসখনক নিজৰ ঘৰৰ দৰেই ভাল পাবলৈ শিকা, OBH পৰিয়ালৰ সদস্য হৈ পৰিয়ালটোৰ উন্নতি তথা ভালৰ কাৰণে কাম কৰা আৰু সময়ৰ গতিত বিশ্বাস, মৰম তথা ভালপোৱা কেতিয়াও হ্রাস নকৰিবা,ৰবঞ্চ বৃদ্ধি কৰিবা। পুৰণা ছাত্রাৱাসৰ দীর্ঘায়ু তথা এক গৌৰৱময় ভৱিষ্যতৰ কামনাৰে।

বাস্তৱ শইকীয়া
স্নাতক পঞ্চম যাণ্মাসিক
গণিত বিভাগ

প্ৰবন্ধৰ শিতান

পৃথিৱী কোন দিশে গৈ আছে...!

বাস্তৱ শইকীয়া
স্নাতক পঞ্চম ষাণ্মাসিক
গণিত বিভাগ

বর্তমান সময়ত পৃথিৱীখন কোন দিশে গৈ আছে? ইয়াত কেইখনমান দেশৰ দৃষ্টিভংগীৰ সলনি হোৱাৰ কথা কোৱা হৈছে। সকলোৰে দৃষ্টিত কথাখিনি ভিন্ন, কিন্তু এই লেখাত কথাখিনি নিৰপেক্ষভাবে আলোচনা কৰা হৈছে।

বিশ্বৰ কথা উল্লেখ কৰোঁতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ কথা উল্লেখ নকৰিলে নহ'ব। এই লেখাত আৰম্ভণি হৈছে আমেৰিকাৰ পৰা। আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত যিকোনো কথাতেই আমেৰিকা জৰিত থকাটো চিৰন্তন সত্য। Geopolitics-ত আমেৰিকা বুলিয়ে নহয়, কোনো এখন এনেকুৱা দেশ নাই, যিয়ে নিজৰ লাভৰ কথা চিন্তা নকৰে। অৱশ্যে কৰিবও লাগিব।

বর্তমান সময়ত এটা কথা খুব শুনিবলৈ পোৱা গৈছে যে আমেৰিকাই ভাৰতৰ ওপৰত লগোৱা "TARRIF"ৰ পৰিমাণ বৃদ্ধি কৰি গৈ আছে। ইয়াৰ বহুতো কাৰণৰ ভিতৰত তিনিটা মূল কাৰণ হৈছে যে ভাৰতে ৰুছৰ পৰা খাৰুৱা তেল কিনিবলৈ কমোৱা নাই। ট্ৰাম্পৰ আহ্বানৰ পিছতো কমোৱা নাই। এই আহ্বানৰ প্ৰত্যুত্তৰ ভাৰতৰ বিদেশ মন্ত্ৰী সুব্ৰমনিয়াম জয়শংকৰে আন্তঃৰাষ্ট্ৰীয় মিডিয়াৰ আগত প্ৰকাশ কৰিছে। দ্বিতীয়তে ভাৰতৰ কৃষি ক্ষেত্ৰত আমেৰিকাক বেছি বিনিয়োগ কৰিবলৈ দিয়া হোৱা নাই। কৃষিৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ লগতে গাখীৰ ইত্যাদি বস্তু যদি ভাৰতে আমেৰিকাৰ পৰা আমদানি কৰে, তেতিয়া বস্তুবিলাকৰ দাম যথেষ্ট কমি যাব।পৰিণতিত ভাৰতৰ কৃষকসকল আৰু গোপালকসকলৰ যথেষ্ট লোকচান হ'ব। ফলত গা কৰি উঠা নিবনুৱা সমস্যা হ্ৰাস পোৱাৰ পৰিৱর্তে বৃদ্ধিহে পাব। ট্ৰাম্পৰ ইচ্ছা আৰু আগ্ৰহ আছিল ভাৰতৰ লগত কৰা ব্যৱসায়ৰ বেছি সংখ্যক এই সামগ্ৰী বিলাকৰ হওক।কিন্তু ভাৰতে নিবিচৰাৰ মূল কাৰণ আছিল কৃষক,গোপালকসকলৰ লোকচান নোহোৱাৰ লগতে ভৱিষ্যতে যদি আমেৰিকাই এই ব্যৱসায় বন্ধ কৰি দিয়ে তেতিয়া আমাৰ কোনোধৰণৰ ক্ষতি নোহোৱাৰ প্ৰতি দৃষ্টি ৰখা।

তৃতীয়টো কাৰণ হৈছে যে আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত ডলাৰৰ মূল্য যথেষ্ট হ্ৰাস পাইছে। বহুতো দেশে ব্যৱসায় কৰোঁতে ডলাৰৰ ব্যৱহাৰ কৰাটো নিজৰ সার্বভৌমত্বৰ বিপৰীত বুলি মানিছে। ইয়াৰ বিকল্প হিচাপে বেলেগ মুদ্ৰাৰ ব্যৱহাৰ কৰিব বিচাৰিছে।এই ক্ষেত্ৰত ভাৰতে ব্যৱস্থা গ্ৰহণ কৰিছে।ভাৰতে ইমতিধ্যেই শ্ৰীলংকা, আফগানিস্তান আদি দেশৰ লগত নিজৰ টকা-মুদ্ৰাৰে ব্যৱসায় কৰিব লৈছে। এনেবোৰ কাৰণত ট্ৰাম্পে ভাৰতৰ ওপৰত লগোৱা 'TARRIF' বঢ়াই দিছে।ইয়াত প্ৰত্যুত্তৰ হিচাপে ভাৰতে কাষ চাপিছে চীনৰ ওচৰত। হয়, ভাৰতৰ বৈৰী ৰাষ্ট্ৰ -চীন। Geopolitics ত এটা কথা আছে যে কোনো এখন দেশ স্থায়ী ভাৱে কোনো বেলেগ দেশৰ বন্ধু বা শত্ৰু হৈ নাথাকে। ই নির্ভৰ কৰে ৰাষ্ট্ৰৰ বিকাশ আৰু লাভালাভৰ ওপৰত। বহু ক্ষেত্ৰত চীন ইতিমধ্যেই আমেৰিকাতকৈ আগবাঢ়িছে। চীনৰ ৰাষ্ট্ৰপতিক লগ কৰিবলৈ বিগত সাত বছৰৰ মূৰত নৰেন্দ্ৰ মোদী ডাঙৰীয়া পুনৰ চীনলৈ গৈছে। দুয়োগৰাকীয়ে বিভিন্ন ধৰণৰ চুক্তি আলোচনা কৰিছে, যি দুয়োখন দেশৰ বাবে যথেষ্ট ফলপ্ৰসূ হ'ব। Geopolitics –ৰ ক্ষেত্ৰখনত ভাৰতৰ নীতি যথেষ্ট সলনি হৈছে। ই ভাৰতৰ বাবে লাভদায়ক হ'ব নে হানি কৰিব সেয়া সময়ত দেখা যাব।

বর্তমান সময়ত ভাৰতে যি কেইখন ৰাষ্ট্ৰৰ লগত ভাল সম্বন্ধ গঢ় দিছে, প্ৰায়কেইখন দেশৰে আমেৰিকাৰ লগত সম্বন্ধ ভাল নহয়। এনেকুৱা সময়ত আমেৰিকা আৰু অন্যান্য দেশ(কোৰিয়া, ভিয়েটনাম আদি)ৰ ইতিহাসৰ পৰা জানিব পাৰি যে আমেৰিকাই কি পদ গ্ৰহণ কৰিব। বাহ্যিকভাৱে ভাৰতৰ শত্ৰু দেশসমূহক আয় প্ৰদান কৰি ভাৰতৰ বিপৰীতে কাম কৰি যাবৰ বাবে উচতনি যোগাব আৰু আভ্যন্তৰীণভাৱে ভাৰতৰ বৰ্তমানৰ চৰকাৰক আঁতৰাবৰ বাবে ষড়যন্ত্ৰমূলক ব্যৱস্থা গ্ৰহণ কৰিব।

বৰ্তমান সময়ত বিশ্ব বেলেগ এখন দিশৰ ফালে আগবাঢ়িছে। সকলো দেশেই নিজৰ নিজৰ লাভৰ বাবে কৰ্মত অগ্ৰসৰ হৈছে। কোনোৱে নিজৰ স্থান আগবঢ়াবৰ বাবে, কোনোৱে নিজৰ স্থান ধৰি ৰাখিবৰ বাবে, আৰু কোনো ৰাষ্ট্ৰই (ইজৰাইল, পেলেষ্টাইন, য়েমেন আদি) বিশ্বৰ মানচিত্ৰত নিজৰ অস্তিত্ব মচি নোযোৱাকৈ ধৰি ৰাখিবৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। এইক্ষেত্ৰত ভাৰতে নিজৰ স্থিতি ধৰি ৰাখিবলৈ গ্ৰহণ কৰা ব্যৱস্থা আৰু অৱলম্বন কৰা নীতিসমূহৰ দ্বাৰা নিজৰ লগতে বিশ্বক নতুন দিশলৈ আগুৱাই লৈ যোৱাৰ সম্ভাৱনা আছে।

***

নেপালত প্রতিবাদৰ জুই: ৰাজনৈতিক আৰু সামাজিক প্রতিক্রিয়া

মানস প্রতিম চেতিয়া
স্নাতক পঞ্চম ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

৮ ছেপ্টেম্বৰ, ২০২৫ ৰ কথা কাঠমাণ্ডুৰ হৃদয়স্থল মাইটিঘৰ মাদালা (MAITIGHAR MADALA) নামৰ ঠাইত হাজাৰ হাজাৰ যুৱক- যুৱতীয়ে এক প্রতিবাদ আৰম্ভ কৰে। এই প্রতিবাদৰ সূচনা হয় যেতিয়া ৪ ছেপ্তেম্বৰত নেপাল চৰকাৰে ঘোষণা কৰে যে দেশৰ ভিতৰত Facebook, Instagram, YouTube, WhatsApp, Twitter আদিকে প্রমূখ্য কৰি ২৬ টা সামাজিক মাধ্যম বন্ধ কৰা হ'ব।

চৰকাৰ যুক্তি আছিল এই মাধ্যমসমূহ মিছা তথ্য, ঘৃণামূলক ভাষণ, অপৰাধ, অপপ্রচাৰ আদিৰ আধাৰ হৈ পৰিছে। কিন্তু সাধাৰণ যুৱ সমাজ 'Gen Z'- য়ে এই সিদ্ধান্তক গণতান্ত্রিক অধিকাৰৰ ওপৰত এক কঠিন আঘাত হিচাপে ধৰি লয়। ৮ ছেপ্টেম্বৰত হোৱা এই প্রতিবাদৰ নেতৃত্ব দিছিল নতুন প্রজন্ম, বিশেষকৈ 'Gen Z' বুলি জনজাত যুৱ সমাজখনে। এই প্রতিবাদ প্রধানতঃ সংগঠিত কৰিছিল হামি নেপাল (Hami Nepal) নামৰ এটা বেচৰকাৰী সংস্থাই। প্রথমে শান্তিপূর্ণ ৰূপত আৰম্ভ হোৱা এই আন্দোলন ক্রমে হিংসাত্মক হৈ পৰে। যেতিয়া প্রতিবাদী সকলে সংসদ ভৱন অভিমুখে যোৱাৰ চেষ্টা চলাই তেতিয়া প্রহৰি আৰু সেনা বাহিনীয়ে প্রতিবাদী সকলক বাধা দিবলৈ টিয়াৰ গেছ, জল শক্তি আৰু ৰবৰ বুলেট আদিৰ ব্যৱহাৰ কৰে। যেতিয়া প্রতিবাদী সকলে সংসদৰ ফালে বাধা ভাঙি আগবাঢ়ে, সেনা তথা প্রহৰিয়ে প্রকৃত গুলি চলাই। যাৰ ফলত ১৯ জন ব্যক্তিৰ মৃত্যু হয়।এই সংঘর্ষত প্রায় ৪০০ জন ব্যক্তি আহত হয়।

চৰকাৰী গুলিচালনাত ১৯ জন প্রতিবাদকাৰী নিহত হোৱাৰ ঘটনাই সমগ্র দেশখনক কঁপাই তুলিছিল । ই এতিয়া কেৱল প্রতিবাদ নহয়, ই ন্যায় বিচাৰৰ দাবী আৰু মুক্ত মত প্রকাশৰ অধিকাৰৰ যুদ্ধ হৈ পৰিছিল। চৰকাৰৰ এনে কঠোৰ তথা অমানৱীয় কার্যৰ ফলস্বৰূপে প্রতিবাদৰ তীব্রতা বৃদ্ধি পায়। চৰকাৰে এই প্রতিবাদ নিয়ন্ত্রণ কৰিবৰ বাবে ৩:৩০ মান বজাত কার্ফিও লগাবলৈ চেষ্টা কৰে কিন্তু প্রতিবাদ নিয়ন্ত্রণ কৰাত বিফল হয়। নিহত সকলৰ মৃত্যুৰ খবৰ যেতিয়া সমগ্র দেশজুৰি পৰিব্যাপ্ত হ'ল, তেতিয়াৰ পৰাই বিভিন্ন চহৰ, নগৰ, আৰু গাঁৱত প্রতিবাদৰ ঢৌ উঠিল। এই হত্যাকাণ্ডৰ পাছত শান্তিপূর্ণ আন্দোলন হঠাৎ হিংসাত্মক প্রতিশোধৰ ৰূপ লয়। প্রতিবাদীসকলে চৰকাৰী স্থানসমূহত আক্রমণ চলায়। প্রতিবাদীসকলে বিভিন্ন হিংসাত্মক কার্য সংঘটিত কৰে যেনে প্রধানমন্ত্রীৰ বাসগৃহ, সংসদ ভৱন ইত্যাদি জ্বলাই দিয়া। এই প্রতিবাদত প্রাক্তন প্রধান মন্ত্রী ঝলনাথ খানল (Jhalanath Khanal)ৰ পত্নী ৰাজলক্ষ্মী চিত্রকাৰ (Rajalakshmi Chitrakar)ৰ মৃত্যু হয়।

নেপালত প্রতিবাদ হোৱাৰ তৎকালীন কাৰণ মূলতঃ সামাজিক মাধ্যম বন্ধ কৰা যদিও ইয়াৰ আঁৰত আন কিছুমান কাৰণো জড়িত হৈ আছে যেনে: দুর্নীতি, নিবনুৱা সমস্যা, কুশাসন, আত্মীয়পোষণ ইত্যাদি। প্রতিবাদ আৰম্ভ হোৱাৰ

আগত নেপালত যথেষ্ট দুর্নীতি চলি আছিল। নেপালৰ ৰাজনীতিক বহু নেতাই নিজৰ আত্মীয়, বন্ধু-বান্ধৱক যিকোনো চৰকাৰী পদত নিযুক্তি দিছিল। এই আত্মীয়পোষণৰ প্ৰথাই জনগণৰ মাজত অসন্তোষ সৃষ্টি কৰিছিল। লগতে, চৰকাৰী বিভাগত ব্যাপক দুর্নীতি চলি আছিল। বহু ধন জনকল্যানৰ কামত খৰচ নহৈ ব্যক্তিগত লাভৰ বাবে ব্যৱহাৰ হৈছিল।আনহাতে নেপালত নিবনুৱাৰ সমস্যা দিনক দিনে বৃদ্ধি পাইছিল। বহু শিক্ষিত যুৱক-যুৱতীয়ে উপযুক্ত চাকৰি পোৱা নাছিল। যাৰ ফলত তেওঁলোকে বিদেশলৈ কামৰ সন্ধানত যাব লগা হৈছিল।

এনে কিছুমান কাৰণৰ বাবে জনগণে চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ আৰম্ভ কৰিছিল। তেওঁলোকে এখন স্বচ্ছ, ন্যায়পূৰ্ণ আৰু সুযোগ-পূৰ্ণ সমাজ গঠনৰ দাবী কৰিছে; য'ত আত্মীয়পোষণ আৰু দুর্নীতিৰ অৱসান হ'ব আৰু প্ৰতিজন নাগৰিকে নিজৰ যোগ্যতাৰ ভিত্তিত আগবাঢ়িব পাৰিব।





দৃষ্টিভংগীৰ গুৰুত্ব

ঋতুৰাজ গগৈ
স্নাতক তৃতীয় ষাণ্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

জীৱন কেৱল আমাৰ সৈতে কি ঘটে তাৰ ওপৰত নিৰ্ভৰ নকৰে, বৰঞ্চ আমি সেই ঘটনাবোৰ কেনেকৈ দেখি আৰু গ্ৰহণ কৰোঁ, সেই দিশটোহে গুৰুত্বপূৰ্ণ। এই দেখা পোৱাৰ ধৰণকেই দৃষ্টিভংগী বুলি কোৱা হয়। দৃষ্টিভংগী হৈছে সেই শক্তি যি আমাৰ চিন্তা-চেতনা, কৰ্ম-কাণ্ড আৰু সুখ-দুখ নিৰ্ধাৰণ কৰে।

একে পৰিস্থিতিৰ দুজন মানুহে একেলগে ভিন্ন অভিজ্ঞতা লাভ কৰিব পাৰে, কিন্তু এজনত আশা দেখা যায় আৰু আনজনত হতাশা। মূল কাৰণ হ'ল—দৃষ্টিভংগীৰ ভিন্নতা। উদাহৰণস্বৰূপে, পানীৰ গিলাচ এজনৰ চকুত "আধা খালী" আৰু আনজনৰ চকুত "আধা ভর্তি"। গিলাচটো নিজে সলনি হোৱা নাই, কিন্তু দৃষ্টিভংগীয়ে অর্থ সলনি কৰি দিলে।

এই দৃষ্টিভংগীয়ে আমাক শিকায় যে জীৱনত কেতিয়াও কেৱল এটা সত্য, এটা পথ বা এটা উত্তৰ নাথাকে। সকলো সমস্যাৰ একাধিক দিশ থাকে । আমি যদি বিপদক শিক্ষা হিচাপে, বিফলতাক সফলতাৰ সোপান হিচাপে আৰু ভিন্ন মতক শক্তি হিচাপে গ্ৰহণ কৰোঁ তেন্তে আমাৰ জীৱন অধিক ধনাত্মক আৰু গঠনমূলক হৈ উঠিব। এনে দৃষ্টিভংগী আমি সকলোৱে শিকিলে, আমি কেৱল বুদ্ধিমান নহয়, অধিক সহানুভূতিশীলো হ'ব পাৰো। প্ৰতিজন মানুহৰ নিজৰ জীৱনগাথা, সংগ্ৰাম আৰু সপোন আছে, যি তেওঁৰ দৃষ্টিভংগী নিৰ্মাণ কৰে। আমি যদি সেইবোৰক সন্মান কৰি গ্ৰহণ কৰো, তেন্তে সংঘাতৰ সলনি ঐক্য আৰু সাদৃশ্য জন্মে। সেয়েহে আত্মবিশ্বাসেৰে কোৱাৰ দৰে, খোলা মনৰে শুনাটোও সমান গুৰুত্বপূৰ্ণ।

শিক্ষা, কাম, ব্যৱসায় বা সম্পৰ্কত—দৃষ্টিভংগী সলনি কৰাৰ ক্ষমতাই নতুন সুযোগ, নতুন চিন্তা আৰু নতুন সমাধানৰ পথ মুকলি কৰি দিয়ে। এই ক্ষমতাই আমাক সৃষ্টিশীল, দূৰদর্শী আৰু জ্ঞানী কৰি তোলে।

দৃষ্টিভংগী বিস্তৃত কৰিলে জীৱন শান্তিপূৰ্ণ আৰু সমৃদ্ধ হয় । পৃথিৱীখনক যদি আমি ভিন্ন চকুৰে চাবলৈ শিকো, তেন্তে আমি নিজকে উন্নত কৰাৰ লগতে আনৰ মাজতো সমতা আৰু ঐক্য প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ম।

***

অপাৰেশ্যন সিন্দূৰ - ২০২৫ ভাৰত-পাকিস্তান যুদ্ধৰ প্ৰেক্ষাপটত

লক্ষ্যদ্বীপ বৰা
স্নাতক পঞ্চম যাণ্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

২০২৫ চনৰ ৭ মে'ত, ভাৰত চৰকাৰ "Operation Sindoor" নামধাৰী এক সুক্ষ্ম আৰু প্ৰযুক্তিনিৰ্ভৰ যুদ্ধ অভিযান আৰম্ভ কৰে, যথেষ্ট প্ৰাকৃতিক আৰু বুদ্ধিকাঠামোগত সমৰ্থনসহ। এই অভিযানক ভাৰত–পাক যুদ্ধৰ নতুন মোহ ৰূপে ধৰা হয়। পাহালগামৰ ২২ এপ্ৰিলত সংঘটিত এক ভয়ংকৰ জঙ্গি আক্ৰমণত ২৬জন সাধাৰণ লোক-ভ্ৰমণকাৰী নিহত হয়, যাৰ উত্তৰ স্বৰূপ এই অভিযান পৰিকল্পিত হৈছিল।

এই অভিযানত ভাৰতৰ স্থল সেনা, নৌ সেনা আৰু বিমান বাহিনীৰ সমন্বিত যুঁজ ব্যবস্থা (joint operation) কাৰ্যকৰী হৈ, পাকিস্তান আৰু PoK-ৰ ৯টা জঙ্গি শিবিৰ, বিশেষকৈ Jaish-e-Mohammed আৰু Lashkar-e-Taiba-ৰ হাই-ভেল্যু লক্ষ্যবস্তুসমূহ লক্ষ্য কৰি প্ৰহাৰী ক্ষেপণাস্ত্ৰ আঘাত কৰা হয়।

ভাৰতে মূলতঃ SCALP (Storm Shadow) ক্ৰুজ মিছাইল আৰু HAMMER প্ৰেছিছন গাইডেড মুনিশন ব্যৱহাৰ কৰি নিৰ্দিষ্ট আঘাত কৰিছিল । ইয়াৰ উপৰি,ভাৰতে মূলতঃ SCALP (Storm Shadow) ক্ৰুজ মিছাইল আৰু HAMMER প্ৰেছিছন গাইডেড মুনিশন ব্যৱহাৰ কৰি নিৰ্দিষ্ট আঘাত কৰিছিল । ইয়াৰ উপৰি, indigenous আৰু উন্নত অস্ত্ৰসমূহ — যেনে Akash, BrahMos, Nagastra-1 loitering মুনিশন আৰু Sky-Striker কামিকাজে ড্ৰোন ব্যৱহৃত হৈছিল । প্ৰযুক্তিগত দক্ষতাৰ ফলস্বৰূপ, পাকিস্তান–পাকিস্তান এখন বিমান ৩০০ কিমি দূৰত্বত surface-to-air মিছাইল দ্বাৰা নিশানা কৰা হয়, যি এটা বিশ্ব-ৰেকৰ্ড। ভাৰেত প্ৰথম ড্ৰোন যুদ্ধৰ অংশ হিচাপে USA ৰ ড্ৰোন ব্যৱহাৰ কৰিছিল।

এই অভিযানৰ ফলত পাকিস্তানে মে' ১০ তাৰিখে সিজফায়াৰ বিচাৰ কৰিছিল; সন্ধিয়া ৫টা (IST)ৰ পৰা যুদ্ধবিৰতি কাৰ্যক্ৰম আৰম্ভ হয়। Operation Sindoor আছিল আধুনিক, বহু-মাঠৰ (multi-domain), নিম্ন-পৃথিৱী-সীমা (non-nuclear-threshold) ভিত্তিক, অত্যন্ত সুচাৰু সামৰিক পদক্ষেপ, যি এক নতুন দেশীয় ৰণনীতিগৰ সূচনা কৰিছিল।

ভ্রমণ নো কি ?

দীপজ্যোতি চুতীয়া
স্নাতক তৃতীয় যাণ্মাসিক
অণুবিদ্যুৎ বিভাগ

মানুহে শুনা বা কোৱা কথাৰ বিপৰীতে প্রত্যক্ষ দৃষ্টিৰে যিকোনো চাই আনন্দ লাভ কৰি বেছি ভাল পায়। সেয়ে ছাত্র-ছাত্রী, অৱসৰী লোক আদিয়ে জ্ঞান অন্বেষণৰ বাবে বা জীৱনৰ মধুৰ সময় অতিবাহিত কৰিবলৈ, মানসিক চাপ হ্রাস কৰিবলৈ ইত্যাদি ভিন্ ভিন্ কাৰণত ভ্রমণ কৰে। ভ্রমণ হৈছে এক পৰিৱর্তনশীল অভিজ্ঞতা যিয়ে মানুহৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰাৰ লগতে আজীৱন সুন্দৰ স্মৃতিৰ সৃষ্টি কৰে।ভ্রমণে আমাক বৈচিত্র্যময় সংস্কৃতিত নিজকে বিলীন কৰিবলৈ শিকায় আৰু বিভিন্ন স্তৰৰ মানুহৰ সৈতে সংযোগ স্থাপন কৰিবলৈ সুবিধা প্রদান কৰে।

ভ্রমণৰ দ্বাৰা নতুন নতুন ঠাইৰ সন্ধান কৰাৰ লগে লগে আমাৰ মনত পৰে পৃথিৱীৰ বিশালতা আৰু জটিলতাৰ কথা। তেতিয়া আমাৰ মাজত সুপ্ত হৈ থকা শক্তিক আৱিষ্কাৰ কৰোঁ, আমাৰ অনুমানক প্রত্যাহ্বান জনাওঁ আৰু সহানুভূতিসমূহ বিকশিত কৰোঁ। ভ্রমণে আমাক সমাযোজন, স্থিতিস্থাপক আৰু মুকলি মনৰ হ'বলৈ শিকায়।

ভ্রমণে আমাক নতুন নতুন দৃশ্য, কথা, অভিজ্ঞতা, সম্পর্ক, বিভিন্ন লোক, বিভিন্ন সংস্কৃতি আদিৰ সৈতে হোৱা ঐক্যৰ দ্বাৰা বিশেষ সোৱাদ আৱিষ্কাৰ কৰাৰ লগতে উল্লাসজনক ৰোমাঞ্চ প্রদান কৰে। স্থানীয় খাদ্য সোৱাদ গ্রহণ কৰাই হওক, আইকনিক ল্যাণ্ডমার্ক ভ্রমণ কৰাই হওক বা কেৱল দৈনন্দিন জীৱন নিৰীক্ষণ কৰাই হওক, প্রতিটো মুহূর্তত শিকিবলৈ সুযোগ দিয়ে।

ভ্রমণে আমাৰ জীৱনক সমৃদ্ধ কৰে, আমাক অধিক দয়ালু, কৌতূহলী আৰু সু-বৃত্তাকাৰ ব্যক্তিলৈ গঢ় দিয়ে। কেৱল নতুন নতুন ঠাইলৈ নহয়, ই হ'ল নিজৰ অন্তৰমুখী পৃথিৱী খনক আৱিষ্কাৰ কৰাৰ এক অবিৰত যাত্রা।



জুকৌ ভেলী নাগালেণ্ডলৈ যাত্রা কৰা হোষ্টেলাৰৰ এখন ছবি

ভিন্সেন্ট ভান গ'ঘ: The Mad Dutchman

মুকুন্দ মাধৱ কোঁচ
স্নাতকোত্তৰ তৃতীয় যাণ্মাসিক
ইতিহাস বিভাগ



বিশ্বৰ শিল্পকলাৰ ইতিহাসত ভিন্সেন্ট ভান গ'ঘৰ নাম এক অনন্য উজ্জ্বল নক্ষত্ৰ। জীৱনৰ চুটি সময়ছোৱাতেই তেওঁ শতাধিক চিত্ৰ অংকন কৰিছিল যদিও, জীৱিত অৱস্থাত প্ৰায় কাৰোৰে পৰা স্বীকৃতি নাপাই দুখ আৰু নিঃসঙ্গতাত দিন কটাব লগা হৈছিল। কিন্তু বৰ্তমান তেওঁৰ নাম চিত্ৰশিল্পৰ জগতত সুপৰিচিত আৰু তেওঁৰ হাতৰ অমৰ চিত্ৰসমূহ বৰ্তমান জগতত এক অমূল্য সম্পদ ৰূপে বিবেচিত হৈ আছে।

ভান গ'খ ১৮৫৩ চনৰ ৩০ মাৰ্চত নেদাৰলেণ্ডৰ সৰু গাঁও Zundert-ত জন্মগ্ৰহণ কৰিছিল। তেওঁৰ পিতৃ এজন ধৰ্মপ্ৰচাৰক আৰু মাতৃ এগৰাকী প্ৰকৃতি প্ৰেমী শিল্পী আছিল। সৰুতে তেওঁ গভীৰ চিন্তাশীল আৰু অলপ গম্ভীৰ স্বভাৱৰ আছিল। পাঠশালাত বিশেষ সফলতা নাপালেও, কেতিয়াবা গীৰ্জাত, কেতিয়াবা ব্যৱসায়ত মন দিলে যদিও কোনো স্থানতে তেওঁ দীৰ্ঘদিন স্থায়ী হ'ব নোৱাৰিলে। শেষত শিল্পকলাই তেওঁৰ জীৱনৰ সঁচা দিশ নিৰ্ধাৰণ কৰিলে।

শিল্পজীৱনৰ আৰম্ভণি:

প্ৰথমে তেওঁ চিত্ৰশিল্পীৰ সহায়ক হিচাপে কাম আৰম্ভ কৰে। কৃষকৰ জীৱন আৰু গাঁও অঞ্চলৰ দৃশ্য আছিল তেওঁৰ প্ৰথম চিত্ৰসমূহৰ মুখ্য বিষয়। ১৮৮৫ চনত আঁকা The Potato Eaters ছবিখনেই তেওঁক শিল্পজগতত চিনাকি কৰাই দিলে— এখন ছবি য'ত দুখীয়া কৃষকসকলৰ কঠিন জীৱন নিখুঁতভাৱে ফুটাই তোলা হৈছে।

তেওঁৰ শিল্পশৈলী সময়ৰ লগে লগে পৰিৱৰ্তিত হৈছিল। আৰম্ভণিৰ দিনত তেওঁ গাঢ় ৰঙেৰে ছবি আঁকিছিল; কিন্তু পিছত উজ্জ্বল ৰঙৰ প্ৰয়োগে তেওঁৰ তুলিকাক এক অনন্য বৈশিষ্ট্য প্ৰদান কৰিলে। তেওঁ সাধাৰণতে আঁকিছিল প্ৰাকৃতিক দৃশ্য, ফুল (বিশেষকৈ সূৰ্যমুখী), প্ৰতিচ্ছবি ইত্যাদি। তেওঁৰ তুলিকাৰ ৰেখা শক্তিশালী আৰু আবেগপূৰ্ণ আছিল।

তেওঁৰ বিখ্যাত চিত্ৰসমূহ হ'ল :-

ক) Starry Nights — তৰা ভৰা আকাশ আৰু সৰু গাঁওখনৰ স্বপ্নিল দৃশ্য

খ) Sunflowers— জীৱনৰ ৰঙেৰে ভৰা সূৰ্যমুখীৰ ছবি

গ) The Bedroom — তেওঁ থকা শোৱা কোঠাৰ দৃশ্য

ঘ) Cafe Tarrance at Night — আলোক-অন্ধকাৰৰ মোহনীয় সংমিশ্ৰণ

এক অদ্ভুত প্ৰতিভাৰ অধিকাৰী হোৱাৰ লগতে ভান গ'ঘ মানসিক সমস্যাতো ভুগিছিল। কেতিয়াবা চিকিৎসালয়তো ভৰ্তি হ'ব লগা হৈছিল। এজন শিল্পীৰ নিঃসঙ্গতা, যন্ত্ৰণা আৰু বেদনাই তেওঁৰ তুলিকাত বিশেষ ছাঁ পেলাইছিল। এজন বন্ধু-শিল্পীৰ লগত হোৱা তৰ্কৰ সময়ত কাণ কাটি পেলোৱা ঘটনাই তেওঁৰ মানসিক দুৰৱস্থাৰ কথা প্ৰকাশ কৰে।

তেওঁৰ জীৱনৰ শেষৰ দিনবোৰ আছিল যথেষ্ট কষ্টপূৰ্ণ। জীৱিত অৱস্থাত তেওঁ অঁকা কেৱল এখন ছবি The Red Vineyard বিক্ৰী হৈছিল। সমাজৰ স্বীকৃতিৰ অভাৱ, নিঃসঙ্গতা, দৰিদ্ৰতা আৰু মানসিক যন্ত্ৰণাই তেওঁক ভাঙি পেলাইছিল। অবশেষত, ১৮৯০ চনৰ ২৯ জুলাইত, কেৱল ৩৭ বছৰ বয়সত, শইচেৰে ভৰা পথাৰৰ মাজত বন্দুকৰে নিজকে গুলিয়াই আত্মহত্যা কৰে।

জীৱিত অৱস্থাত যিজন প্ৰায় উপেক্ষিত আছিল, মৃত্যুৰ পিছত তেওঁ বিশ্বৰ সৰ্বশ্ৰেষ্ঠ চিত্ৰশিল্পীৰ মাজত স্থান লাভ কৰিলে। আজিৰ দিনত তেওঁৰ চিত্ৰবোৰ বিশ্বৰ নামী সংগ্ৰহশালাত সংৰক্ষিত। জীৱিত অৱস্থাত যিখন সমাজে তেঁওক স্বীকৃতি নিদিলে সেইখন সমাজেই এতিয়া 'ভান গ'ঘ ক্লাব' খুলি তেওঁৰ ছবিৰ প্ৰচাৰ আৰু প্ৰসাৰ চলাই আছে দেশ-বিদেশত।

ভান গ'ঘৰ জীৱন আছিল দুখ, নিঃসঙ্গতা, দৰিদ্ৰতা আৰু বেদনাৰে ভৰা। কিন্তু তেওঁৰ তুলিকা আৰু চিত্ৰসমূহ আজিও বিশ্বমানৱৰ বাবে অমূল্য সম্পদ।

***

Hostel Life: A Journey of Growth, Challenges and Memories

Dr. Parag Rajkhowa
Superintendent, Old Boys' Hostel
Sibsagar University

Introduction

Hostel life has always been considered one of the most transformative phases in a student's journey, a period where youthful energy meets new responsibilities, and personal growth blossoms in unexpected ways. For many, stepping into a hostel is the first real experience of living away from the comforts of home and the constant care of family members. It is a shift that may seem intimidating in the beginning, yet it carries within it the seeds of maturity, resilience, and self-discovery.

A hostel is not just a place to stay; it is a dynamic microcosm of society, where students from varied cultural, social, and economic backgrounds come together and share their daily lives. This diversity creates a vibrant environment for learning beyond textbooks, shaping personalities, and expanding worldviews. The initial days are often marked by homesickness, struggles with adjustment, and the challenge of living with roommates who may have entirely different habits, temperaments, and perspectives.

However, with time, the hostel evolves into more than a residence—it becomes a circle of belonging, where strangers slowly turn into companions and shared struggles knit together stories worth remembering. Hostel corridors echo with late-night study sessions, whispered conversations, laughter, arguments, and sometimes even tears—all of which create a lived experience no textbook can provide. What begins as a reluctant necessity for many students soon unfolds into a journey of self-discovery, where they learn to compromise, manage time, handle money wisely, and stay emotionally balanced. Above all, hostel life leaves behind a treasury of moments—shared meals, festive celebrations, group study marathons, and the unspoken comfort of knowing you're never really alone.

A Home Away from Home

For many students, the hostel is far more than a simple arrangement for food and shelter—it becomes a place where some of the most meaningful experiences of student life unfold. Unlike the comfort of one's family house, where routines are predictable and roles are well defined, a hostel introduces young people to an environment where adaptability, resilience, and cooperation are the keys to survival.

One of the most striking aspects of hostel life is the diversity it embodies. Students come from different corners of the country, and sometimes even from abroad, bringing with them a wide variety of cultural traditions, languages, habits, and beliefs. This melting pot of backgrounds creates an environment unlike any other, one where each day offers lessons in tolerance, empathy, and cross-cultural understanding. A student from a rural village may find himself or herself sharing a room with someone from a busy city; a student who grew up speaking one language may suddenly find themselves surrounded by peers who speak three or four others. In such an environment, stereotypes begin to dissolve, and a deeper appreciation for diversity naturally emerges.

Roommates, who may start off as complete strangers, slowly become companions who share secrets, lend support in moments of anxiety, and celebrate small victories together. The jokes cracked over late

night tea, the collective sighs before exams, or the comforting presence of someone during bouts of homesickness gradually weave relationships that feel like family outside family. These bonds endure because they are built not on convenience but on shared vulnerability.

Living in a hostel is like being part of a "miniature society," where each interaction and challenge quietly shapes character. Students learn the art of adjustment when they must share space with someone whose habits are the complete opposite of their own. They practice patience while waiting their turn in long queues at the dining hall, and they stretch their pocket money with surprising creativity. These small struggles—though sometimes frustrating—leave behind practical lessons in resilience, compromise, and resourcefulness. Ultimately, hostel life becomes a training space where young people learn to balance personal freedom with collective responsibility.

Growing Through Hostel Life

Research shows that hostel students often become more confident, punctual, responsible, and independent—qualities that are not merely academic achievements but lifelong assets. When students first enter hostel life, they may struggle with the absence of family support and the sudden necessity of doing everything on their own. Over time, however, this very independence becomes a source of strength. With no one constantly reminding them to wake up on time, complete homework, or prepare for exams, students gradually cultivate self-discipline. They learn to organize daily routines, balance study with recreation, and fulfill their responsibilities without external supervision.

This transition is not just about becoming independent-it is about learning to rely on one's own judgment, to stay steady without the immediate cushion of family, and to accept responsibility for one's choices.

Living among peers in a hostel also provides a unique environment for building communication and social skills. Unlike the limited interactions one might have at home, the hostel is a hub of continuous social engagement. Students learn how to voice their opinions in group discussions, negotiate with roommates over shared resources, and express themselves confidently in front of peers. Over time, hesitation fades, and shyness gives way to confidence.

Another significant outcome of hostel life is the development of leadership qualities. With dozens or even hundreds of students living under one roof, situations frequently arise that require someone to step forward—whether it is organizing a group study session, coordinating hostel events, resolving conflicts, or representing fellow students to hostel authorities. These experiences build qualities such as decision-making, teamwork, and accountability—traits that prepare hostel residents for future careers where initiative is valued.

Perhaps the most enduring lesson of hostel life lies in learning to live with differences. Sharing space with people of varied beliefs, lifestyles, and temperaments teaches students to look beyond surface contrasts and focus on the common threads of humanity. They learn to be patient when views clash, to show kindness to a homesick roommate, and to cooperate when group efforts are needed. Such values prepare them to thrive not only in their careers but also in their personal lives.

The Challenges Along the Way

While hostel life is often celebrated for the independence, confidence, and friendships it nurtures, it is equally important to acknowledge the difficulties that come with it. Living away from the comfort and security of one's family can be daunting, especially for those who are leaving home for the first time.

.

Homesickness is one of the most common struggles faced by hostel residents. The sudden absence of parents, siblings, and familiar surroundings creates an emotional vacuum. The first few weeks are particularly challenging, as new hostelites often find themselves longing for the small routines of home. Phone calls to family sometimes end in tears, and only with time and the support of roommates and friends do students learn to cope with these feelings of separation.

Adjustment is another major hurdle. Hostel life brings together students with diverse habits, temperaments, and lifestyles. Negotiating differences over shared resources—such as bathroom schedules or study spaces—requires patience and compromise. For some, this constant need to adjust becomes mentally exhausting.

Food quality and irregular routines are also recurring complaints. Unlike the warm, balanced meals prepared at home, hostel food is often repetitive and lacking in variety. Dissatisfaction sometimes pushes students toward unhealthy alternatives like instant noodles or fast food. Alongside this, the freedom of hostel life often tempts students into late-night conversations, binge-watching shows, or endless rounds of games—habits that disrupt sleep, health, and study patterns.

A darker side of hostel life involves negative influences. Without parental supervision, some students misuse their independence, falling into habits such as smoking, drinking, or neglecting studies. Peer pressure plays a strong role, and casual experimentation can unfortunately lead to harmful consequences.

সৰিছে কাঁইটীয়া বৃক্ষৰ
তেজাল পাত,
এপল দুপল ক্ষণ গণি গণি

বখানিছে ইতিহাস
নাট সুন্দৰীৰ,
যাৰ নটৰাজ ভংগিমাই
সমাজৰ উকা বেৰত চটিয়ালে

শান্তিৰ ভগ্ন স্বপ্ন



পার্থ প্রতীম হাতীমূৰীয়া

স্নাতক তৃতীয় যাণ্মাসিক

প্রাণীবিজ্ঞান বিভাগ

ক'ত, কেতিয়া,কি হ'ল ?
মাতৃক হত্যা কৰি পুত্ৰ জেললৈ গ'ল।
ইয়াত কি হ'ল, কেনেকৈ হ'ল ?
মৰমৰ ভগ্নীজনীৰ ধৰ্ষণ হ'ল।
ইয়াৰ আকৌ কি হ'ল ?
কেঁচা বয়সতে হেনো ড্ৰাগছ আসক্ত হ'ল।
চুবুৰীৰ চুকত কাজিয়া কিয় হ'ল ?
এডৰা মাটিৰ বাবে ভাই-ককাইৰ কটা-মৰা হ'ল।
একেখন গাঁৱতে দুটা নামঘৰ কিয় হ'ল ?
শংকৰে গঢ়া সমাজত আজি বিভেদ হ'ল।
ইয়াৰ মূৰত জঁটা কিয় হ'ল ?
চাকৰি নোপোৱাৰ দুখত সি মদাহী হ'ল।
লক্ষীৰ মাক কিয় আশ্ৰমলৈ গ'ল ?
লক্ষী হেনো আমেৰিকাতেই চেট'ল হ'ল।

কি হ'ল মানুহৰ হৃদয়ত ?
মমতাৰ দীপশিখা নুমাই গ'ল,
সহজ-সৰল লোকজন
বঞ্চিত হ'ল, দুখত পৰি ৰ'ল।
কি হ'ল নৈতিকতা ?
মানৱতা ক'তেবা হেৰাল!
কি হ'ল সমাজৰ বুকুত ?
সততাই কিয় হাৰ মানিল ?
তথাপি আশা পুহি ৰাখিছোঁ,
নতুন প্ৰভাতৰ সূৰুয উদয় হ'ব,
সততাৰ জুইয়ে দহি হিংসা-দ্বেষ,
মানৱতাৰ জয়গান গাব।



বিমূর্ত নিশা

তিক্ষিৰাজ শইকীয়া

স্নাতক প্রথম যাণ্মাসিক

পদাৰ্থবিজ্ঞান বিভাগ

মুষলধাৰে নামিছে বৰষুণজাক

কোনোবাই যেন মাতিছে মোক

কিন্তু...

মই যে একোকে শুনা নাই।

দুর্দান্ত মেঘৰ প্রচণ্ড গর্জনে

পৃথিৱী কঁপাই তুলিছে।

কিন্তু...

মই যেন অলপো বিচলিত হোৱা নাই।

ঘনঘোৰ মূর্তিৰে নামি অহা

কাল এন্ধাৰৰ মাজে-মাজে

বিজুলী-বজ্রপাতৰ চমকনিয়ে

জগত পোহৰ কৰিছে।

মই ফটা নিহালীখনৰ সেমেকা উমতেই

বিনিদ্র নিশা সপোন দেখিছোঁ।

বেৰৰ ফাঁকেৰে ছিটিকি পৰা

এছাৰেকণিয়ে সকলো তিয়াই পেলাইছে।

আধাপচা জাতিবাঁহৰ শেতেলিখনৰ কাষতে

মূধচৰ মাৰলিৰে বিৰিঙি অহা

এটোপ এটোপকৈ পৰা

বৰষুণৰ টোপালবোৰে

মজিয়াত ডোঙা বান্ধিছে।

বেৰৰ ফাঁকেৰে চিটিকি পৰা

এছাৰেকণিয়ে সকলো তিয়াই পেলাইছে।

নিহালীখন মেৰিয়াই লৈছোঁ

আৰু অনুভৰ কৰিছোঁ

কাল বাৰিষাৰ উদ্দাম নিশাৰ

এক বিমূর্ত ক্ষণ।

কল্পনা

শান্তনু মহন
স্নাতক প্রথম যাণ্মাসিক
শিক্ষাতত্ত্ব বিভাগ

নিচুকনি বতাহৰ অজ্ঞান এন্ধাৰত

নিজকে বিচাৰোঁ মই তোমাৰ হৃদয়ত


কিজানি সেই মায়া ভৰা দুচকুত

উত্তৰ বিচাৰি পাওঁ।

সেউজীয়াৰ বুকুত অস্থায়ী পখিলাটি হৈ

উৰোঁ মই যদি আকাশ চুবলৈ

কিজানি তোমাৰ মনত স্থায়ী হৈ ৰওঁ।



মোৰ মৌনতা

শান্তনু মহন
স্নাতক প্রথম যাণ্মাসিক
শিক্ষাতত্ত্ব বিভাগ

কিহত হেৰাই গম পোৱা ?

মোৰ মৌনতা...!

বতাহে দিশ সলোৱা আছুতীয়া বৰষাৰ সুবাসত

বতাহ আৰু সেউজীয়াবোৰৰ মিলনৰ মাজত

তল-সৰা সুবাসী শেৱালীৰ সুগন্ধত

ৰৌদ্রতাপ

পলাশ প্রতিম দত্ত
স্নাতক প্রথম যাণ্মাসিক
বসায়ন বিজ্ঞান বিভাগ



শৰত আহিছে
শেৱালি ফুলিছে
আমোল-মোল হৈ পৰিছে
তাৰ ঘৰৰ চৌহদ
কিন্তু ক'ৰবাত কেনেবাকৈ
সি যেন থমকি ৰৈছে
মৌনতাৰ বতাহজাকে যেন
তাক উৰুৱাই নিছে
চিনাকি সুৰত এক
অচিনা ঠাইলৈ
পুৱাৰ ৰৌদ্রতাপে
কালমূর্তি ধৰে
শেৱালিজোপা উদং হৈ পৰে
আৰু সি.....
মৌনতাৰ আকাশত
নিৰৱে সহিব লাগে
প্রচণ্ড ৰৌদ্রতাপ
কিন্তু সি ভাগৰা নাই
শেৱালিজোপাতো মৰহি
যোৱা নাই
দৃষ্টি নিবদ্ধ তাৰ
মাথো শেৱালিজোপাৰ
মৌনতাৰ যুঁজত

আধুনিকতা

বেদব্রত দত্ত

স্নাতক তৃতীয় যাণ্মাসিক

অর্থনীতি বিভাগ

আধুনিকতা মানেই কি,

সুৰাৰ নিচাত লিপ্ত হোৱা নেকি ?

আধুনিকতা মানেই কি,

ক্লাবিং কৰা নেকি ?

আধুনিকতা মানেই কি,

পিতৃ-মাতৃৰ বিপৰীতে যোৱা নেকি ?

আধুনিকতা মানেই কি,

নিজৰ সংস্কৃতি পাহৰি যোৱা নেকি ?

আধুনিকতা মানেই কি,

কেৱল ইংৰাজীত কথা কোৱা নেকি ?

লাগে মাথোঁ .....

উত্তৰ,উত্তৰ,উত্তৰ।

হেৰাই যোৱা সপোনৰ আস্তাবলত মই

দেৱপ্ৰতীম শইকীয়া
স্নাতক পঞ্চম ষাণ্মাসিক
ইংৰাজী বিভাগ

নীৰৱে মোৰ নিসংগ যাত্রা
হৃদয় ভগা নিদাৰুণ যন্ত্রণা,
হেৰুৱাম বুলি ভবা নাছিলো
নভৱাকৈ হেৰাই গ'ল শৈশৱৰ ধেমালি।
ফুৰ্‌ফুৰ্‌কৈ উৰি গ'ল...
ধূলি-মাটি, দৰা-কইনা খেলা স্মৃতি ।
একান্ত গোপনীয়তাৰ শৈশৱ তুমি,





মোৰ পৰা আঁতৰি যোৱাৰে পৰা
মই হেৰুৱালোঁ মোৰ জীৱনৰ জোনাক
হাঁহি-ফূৰ্তিৰ সেই দিনবোৰ।
কজলা হৈ গ'ল মোৰ জীৱনৰ ৰং
চকুৰ পচাৰতে সৰি গ'ল সময়,
হাটে-বাটে আহি পৰিল
সময় আৰু জীৱনৰ অস্পষ্ট সীমাবদ্ধতা ।
মুহূৰ্ততে বৰ্তমানবোৰ অতীত,
ভৱিষ্যতবোৰ বৰ্তমান হৈ পৰিল

বৈ যোৱা বন্ধু বৈ যোৱা

বাস্তৰ শইকীয়া
স্নাতক পঞ্চম ষাণ্মাসিক
গণিত বিভাগ



তোমাৰ কামেই হ'ব তোমাৰ চিনাকি
নৰ'বা কেতিয়াও ক্ষন্তেকৰ বাবেও
তোমাৰ মনক নিদিবা কোনো ৰোধক শক্তি।

নিৰন্তৰ বৈ যোৱা বন্ধু, ব্ৰহ্মপুত্ৰৰ সাৰে
যিদৰে লোহিতে জীৱন দিছে অসংখ্যক
তুলনাবিহীন তোমাৰ কষ্টই এদিন
দিব তোমাক উজ্বল জীৱন।



তুমি মাথোঁ হাৰি নাযাবা বন্ধু
লুইতৰ সোঁতৰ দৰে তোমাক গাঢ় কৰা
দেখিবা সকলো বাধা-বিঘিনি উটি যাব
সৌ দূৰৈৰ গেদৰ দৰে।
বৈ যোৱা বন্ধু বৈ যোৱা, ব্ৰহ্মপুত্ৰৰ সোঁতৰ দৰে।

পুৰণা ছাত্রাৱাসৰ সপোন

মানৱজ্যোতি কপ্তাক
স্নাতক তৃতীয় যাণ্মাসিক
ৰসায়ন বিজ্ঞান বিভাগ

পুৰণা ছাত্রাৱাস, সপোনৰ ঘৰ, বন্ধুত্বৰ এনাজৰী, অনুভৱৰ আভাস।

ছাত্রাৱাসৰ নতুন প্রভাতত, ইতিহাসে আঁকি গ'ল জীৱন গাথা।

নির্জনতাৰ ৰাতি, ভূতৰ কাহিনী বন্ধুত্বৰ গোপন কথাটি।


এটা কোঠাত হাঁহি, কাণত গীতৰ সুৰ, বন্ধুত্বৰ মাজৰ হৃদয়ৰ নতুন বান্ধোন।


ছাত্রাৱাসৰ প্রতিটো কোঠাত, স্মৃতিৰ কেঁচা ছবি,সপোন ৰচাৰ পথ ।

একেলগে পঢ়া, একেলগে খেলা, পৰীক্ষাৰ সময়ৰ নিশাৰ বেলা।

বছৰ পাৰ হ'লেও স্মৃতি থাকে, বন্ধুত্বৰ আঁচলত চিৰস্থায়ী প্রাণ।

পুৰণা ছাত্রাৱাস, তুমি আমাৰ গৌৰৱ, সপোনৰ ভৱিষ্যত, জীৱনৰ উৎসৱ।





ফাগুন

নৰজিৎ গগৈ

স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক

জীৱ বিজ্ঞান বিভাগ

এদিন ফাগুনৰ বতাহ মোৰ গাতো লাগিছিল,

এইজাক ফাগুনৰ বৰষুণত ময়ো তিতিছিলোঁ

এই ফাগুন মোৰ গাতো বলিছিল,

ফাগুনৰ প্ৰেমে মোকো বলিয়া কৰিছিল,

পলাশৰ ৰঙা ৰং প্ৰেম হৈ মোকো ৰাঙলী কৰিছিল...

ফাগুনৰ নিচা এৰাব নোৱাৰা

তিনিটি ফাগুন...

এই ফাগুন মোৰ গাতো বলিছিল।

হেল'জেন লাইট

ধীৰাজ সোণোৱাল
স্নাতক পঞ্চম ষাণ্মাসিক
ইতিহাস বিভাগ


মই এটা হেল'জেন লাইট,
অন্ধকাৰ ভেদি নীৰৱে পোহৰ বিলাওঁ।
এজনী নাৰীৰ সৌন্দর্য্যত মই যেন মৌন, স্তব্ধ;
তেওঁৰ চকুত শূন্যতা,
তেওঁৰ মনত যন্ত্রণা।

প্রতিদিনে, শুনা পাওঁ
তেওঁৰ ওপৰত স্বামীয়ে কৰা অপমান,
অত্যাচাৰ
শৰীৰৰ ওপৰত কৰা মাৰ-ধৰৰ কু-শব্দ।
তেওঁৰ অন্তৰৰ কণ্ঠধ্বনি যেন
অবিহিত আজি।

মই দেখা পাওঁ
চকুত টোপ টোপ অশ্রু,
গালত ৰক্তৰ ছাঁ,
নীৰৱ চিঞৰবোৰে মোৰ পোহৰকো কঁপাই
তোলে।

শেষত,
তেওঁ নীৰৱ, শ্বাসৰুদ্ধ।
মইও ধীৰে-ধীৰে বিলীন হৈ গ'লোঁ,
এটা জীৱনৰ লগত।

এতিয়া অন্ধকাৰ—
নাই সেই নাৰী,
নাই মোৰ পোহৰ।
থাকিল কেৱল স্তব্ধতা,
আৰু মোৰ নামত ৰক্তাক্ত ইতিহাস—
"হেল'জেন লাইট"।।



The Quiet Room

Agam Pegu
UG 5th Semester
Department of Geology

In the hush between ticking clocks,
A shadow lingers, soft yet deep,
Walls listen but never answer,
Silence folds itself to sleep.


Loneliness is not a stranger,
It wears the shape of empty chairs,
Of windows framing falling rain,
Of voices lost in vanished air.

It curls inside the hollow chest,
An echo seeking where to land,
A question with no lips to form it,
A reaching out without a hand.

Yet in this stillness, something breathes-
A fragile spark, a hidden flame,
Reminding even broken hearts,
The night will never stay the same.

The Weight of a College Degree


Eshan Boruah Dey
UG 3rd Semester
Department of Geology



I studied hard, I stayed up late,
I walked through every classroom gate.
With books and notes piled up so high,
I reached for stars up in the sky.

I asked some questions, learned a lot,
Sometimes I failed, sometimes I fought.
But every day, I tried my best,
And passed each class, each test.

At last, I got that paper true.
A college degree, all shiny and new.
It shows I worked, it shows I grew,
And now I'm ready for something new.



तेरी याद मैं

बिक्रम जीत दास
वि.एड
तृतीय छमाही


तकलीफों की बारिश गिरी
तो दर्द का सैलाब भी बहेगा,
ऐ मेरे मोहब्बत की तस्वीर
तेरी खामोशियों का ये ज़हर
मेरी ज़ेहन मैं घुल रही हैं,
अगर तू ना आया
तो एक पल भी
जी ना पाएगा ये शायर।

आजादी

जिंदगी एक तोहफ़ा हैं
कुछ लम्हों का,
लोग जो आए यहां
डूब गए इन नशाओ की
लट मैं।
किसीको मारे हुस्न
तो किसीको बारूद,
दुनियां से दिल्लगी
सिर्फ बहकावा हैं,
पीछे मुड़कर देखो
तो सागर का
किनारा हैं।

एक गुलाब ऐसी भी

मुकुंद माधव कौंच
एम.ए. तृतीय छमाही
इतिहास बिभाग



आज बहुत दिनों बाद
मन मैं एक मेहेक सी
आ गई,
पास जाके देखा
तो एक गुलाब का फूल खरा था,
होठों पे मिठी सी मुस्कान लेकर,
आंखों को मेरी तरफ झुकाकर।
नजरों का तीर दिल में
लगा ही था कि
उसने जोर से मुस्कुरादी,
मेरी हालत ऐसी मानो
किसीने गाल पर
तर्मुज का रस लेप दी हो,
मैने तुरंत खुदको संभाला
और उस नाजुक कलि को तारने लगा,

कही खो सा गया,
ये नशा ऐसी मानो
कोई पागल आशिक
इस लम्हे मैं रहकर
सारी जिंदगी ही बीता दे,
मन मैं ख्याल आया
की तितली बनकर उसके
कोमल गालों को चूम लूं,
तभी वो दौरी आई
और मेरे बाहों को
कस कर पकर ली,
न वो कुछ बोली न मैं
बस सांसों की आवेश मैं
खुद को छोड़ दी
शायद इसीको लोग
प्यार कहते हैं।।

सेना

अंशु केओट
भौतिक विज्ञान
स्नातक



सेना तुम भारतमाता के पुत्र हो,
तुम हमारे देश के वो वीर हो,
जो आवश्यकता पड़ने पड़ बिन मांगे प्राण देते हो।
देश के खातिर, देश के लोगो के खातिर,
सीमा पर धीर, गंभीर खड़े रहते हो।
चाहे जल हो, चाहे आकाश, चाहे भूमि
तुम देश की सेवा मे अटल हो।
ह़े! वीर नमन है तुमको,
जो तुम तत्पर हो मातृभूमि के सूरक्षा को
हमें नाज़ है तुम पर जो तुम भारतमाता के पुत्र हो
हर मन में, हर दिल में, घर घर में गुंजे,
सेना तुम भारतमाता के पुत्र हो,
सेना तुम भारतमाता के पुत्र हो।

অণুগল্পৰ শিতান

ভোক

ত্রিবিক্রম মিলি
স্নাতক তৃতীয় যাণ্মাসিক
ভূতত্ব বিজ্ঞান



বহু পৰ ধৰি দুৱাৰত টোকুৰিৱাৰ বিকট শব্দ শুনি মেহবুবাই অতি খঙেৰে দুৱাৰ খন খুলিলে। এজন দেউতাকৰ বয়সৰ ব্যক্তিক দেখি তাই চেদেলি ভেদেলি হৈ থকা চুলি কেইডাল সাঙুৰি লৈ খহি অহা শাৰীখনেৰে নিজৰ দাগী বুকুখন ততাতৈয়াকৈ ঢাকি ললে। বয়োজেষ্ঠ জনক দেখি তাই উৰণিখন লৈ লৰ খোজোতেই ব্যক্তিজনে মাত লগালে,"আৰু কিমান সময় লাগিব?" কথাষাৰ শুনি মেহবুবাই তলমূৰ কৰি অনীহা প্ৰকাশ কৰিলে। নিজৰ আচলখনৰ আগটো চেপা মাৰি ধৰি কিবা এটা ভাবি থাকোতেই তাই শুৱাপাটিত এৰি থৈ অহা নিজৰ দেৰ বছৰীয়া সন্তানটিলৈ মনত পৰিল। মানুহজন যাব খুজোতেই তাই মুখত শেতা হাঁহি এটা লৈ মাত লগালে "কিমান পইচা দিব?"



ঘাট-মাউৰা

অনুৰাগ এম. চাংমা
স্নাতক তৃতীয় যাণ্মাসিক
ভূতত্ব বিভাগ

কান্দি কান্দি ওফন্দি থকা চকুহালে চিঞৰি চিঞৰি ক'ব খুজিছিল, এই বয়সত তাৰ হাতত গুজি দিয়া পইচা কেইটাই তাৰ সংগীবিহীন পৃথিৰীখনৰ মূল্য নিৰ্ধাৰণ কৰিব নোৱাৰে!

মতিভ্ৰম

পল্লৱ গগৈ
স্নাতকোত্তৰ তৃতীয় যাণ্মাসিক
জীৱ বিজ্ঞান বিভাগ

অঞ্জলিয়ে আন দিনাৰ দৰে আজিও বহু যতনে দুপৰীয়াৰ ভাতসাঁজ ৰান্ধি ৰৈ আছে গিৰিয়েকলৈ, তেখেত অফিচৰ পৰা আহিব আৰু একেলগে খাব। কিন্তু বগা পোছাকধাৰি অঞ্জলীয়ে যোৱা চাৰি মাহৰ পৰা আজিও সত্যক মানি লব পৰা নাই।

জীৱন

হৰিশ চাংমাই
স্নাতক প্রথম যান্মাসিক
বুৰঞ্জী বিভাগ

কেঁচুৱাটোৱে আজি কান্দি-কাটি উশাহ নোপোৱা যেন কৰিছে। ভাত-পানীটো বাদেই, সি মাকৰ দুগ্ধপান কৰিবলৈও অনিচ্ছা প্রকাশ কৰিছে। বোধকৰো সীমান্তৰ পৰা অহা দেউতাকৰ চিঠি খনত তেজৰ চেকুৰা দেখি সি ভয় খাইছে।


জাল

নৱজিৎ গগৈ
স্নাতকোত্তৰ তৃতীয় যাণ্মাসিক
জীৱ বিজ্ঞান বিভাগ

সমাজে আজি তাইক চাৰিবেৰৰ মাজত সমাধিস্থ কৰিলে। তাইৰ হেজাৰ কাকুতি-মিনতি, স্বীকাৰোক্তিৰ এটি এটি শব্দক জুইত আহুতি দিলে। কোনে কাক বুজাব! নিজক সুন্দৰ কৰি তুলিবলৈ আপলোড কৰা তাইৰ ফটোকপিক কৃত্রিম বুদ্ধিমত্তাই নাঙঠ কৰি বহু নৰপিশাচক এতিয়া কামাতুৰ বেপাৰী কৰি তুলিছে।

চুটিগল্পৰ শিতান

The Quiet Ache



Karsik Takar Mipun
UG 5th semester
Department of Botany

Her name was Appun. From the very first day of class, she caught my attention-not because she was the topper or the most talkative, but because of the way she carried herself. There was something about her that pulled me in every single day.

I always sat two rows behind her. That was the perfect spot-not too close to make it obvious, but close enough to notice the little things. The way her hair fell on her shoulders when she tilted her head to write… I could stare at those strands all day. Sometimes the sunlight from the window would hit them, making them glow like threads of gold.

And her lips-soft, delicate, always curved into that effortless smile that made my heart race. Whenever she laughed, it felt like the whole class lit up.

I never had the courage to talk to her. Every time I thought of saying even a simple "Hi," my throat would dry up, and the words would vanish like smoke. So I stayed quiet, stealing glances, memorizing every little expression she made when she was confused about a question, when she rolled her eyes at a boring lecture, when she whispered something to her friend and laughed.

My friends noticed everything. And they never let me live in peace.

"Dost, Appun is coming, look sharp!"

"Arre, why don't you propose?!"

They'd tease me constantly, and the worst part? Sometimes they did it in front of her.

But then came the day that broke me.

It was an ordinary afternoon. The teacher was explaining a tough topic, and for once, I tried to focus on the board instead of looking at her. I stood beneath her row - second row from the front concentrating hard. When the class ended, I packed my books, ready to leave.

And then, her friend walked up to me and shouted,

"Why do you always look at her? She feels uncomfortable!"

Those words hit me like a storm. My heart sank. I wanted to say something, to explain, to tell her it wasn't what they thought. But no words came out. Everyone was staring. I felt small, embarrassed, broken.

From that day, I stopped looking at her. I avoided her eyes, avoided every glance. Even when she sat just a few feet away, I stared at the desk, pretending she wasn't there. But the truth? I couldn't kill the feeling. Sometimes, when I couldn't resist, I stole a glance—carefully, secretly, so no one would notice.

And strangely, from that day, she became even more precious to me. Maybe because I realized I could lose her forever without even having her once. Maybe because love, when silenced, feels deeper.

I never confessed. Maybe I was afraid. Maybe I didn't deserve her. So I stayed the guy who looked from afar, who admired her hair, her lips, her laughter—and kept it all locked inside.

Some stories never start. Mine was one of them.



স্মৃতিৰ বিষাদ চকুলো

তিক্ষিৰাজ শইকীয়া
স্নাতক প্ৰথম যাণ্মাসিক
পদাৰ্থবিজ্ঞান বিভাগ

সুউচ্চ অট্টালিকা,ভীষণ যান-জঁট,মহানগৰৰ কোলাহল, বিৰ দি বাট নোপোৱা মানুহৰ জুম। মহানগৰখনত সকলো মানুহেই ব্যস্ত, ঠিক যন্ত্ৰৰ দৰে। এটা যন্ত্ৰই যিদৰে কেৱল নিজৰ কামবোৰহে কৰি যায় ,আনৰ উপকাৰ অপকাৰৰ কথা চিন্তা কৰাৰ সমৰ্থ নাথাকে, ঠিক সেইদৰে আজিৰ কৰ্মব্যস্ত এই মানুহবোৰে মৰম-চেনেহ,সহানুভূতি,জীৱনৰ সুখ-দুখ, ভালপোৱা পাহৰি গৈছে। নিজৰ কৰ্ম সিদ্ধি হ'লেই হ'ল, অন্যৰ কথা চিন্তা কৰিবলৈ কাৰো আহৰিয়ে নাই। অৱশ্যে আজিৰ এই কংক্ৰিটৰ অৱণ্যত বহুতো সৎ হৃদয়ৰ মানুহো আছে।যিয়ে নিজৰ লগতে আনৰ ভালৰ কাৰণেও ভাবে। অৱশ্যে তেনে লোকৰ সংখ্যা তেনেই নগণ্য।

এইবোৰ কথাকেই ভাবি ভাবি সমুদ্ৰই চহৰৰ চাৰিমহলীয়া ঘৰটোৰ একেবাৰে ওপৰ মহলাৰ বেলকনিৰ পৰা তললৈ চাই আছে। সঁচাকৈয়ে কি যে বিচিত্ৰ এই পৃথিৱীখন! এই পৃথিৱীখনৰ এচাম লোকে ক্ষুধা নিবা�ৰণ কৰিবলৈ মাত্ৰ এমুঠি অন্নৰ কাৰণে হাহাকাৰ কৰিব লগা হয়। আনহাতে এচাম মানুহে আকৌ টকাৰ বলত আটাইতকৈ দামী দামী ৰেষ্টুৰাঁত দামী দামী বস্তুবিলাক খায়। আনকি তেওঁলোকৰ কুকুৰবিলাকেও সাধাৰণ খাদ্য নাখায়,মঙহৰ টুকুৰা থকা ৰাজভোগহে খায়। কিছুমান মানুহৰ থাকিবলৈ এটি ঘৰ নাই,থাকে ফুটপাথত, দলঙৰ তলত। আনহাতে আন কিছুমান থাকে টাইলছ লগোৱা, শীত-তাপ নিয়ন্ত্ৰিত ৰাজমহল যেন ঘৰত। কিছুমানৰ সন্তানে মলিয়ন কাপোৰ পিন্ধি, আনৰ ফটা-চিতা কিতাপ লৈ চেণ্ডেল অবিহনে খোজ কাঢ়ি কাঢ়ি বিদ্যালয়লৈ যায়। আনহাতে কিছুমান অভিজাত্যৰ সন্তানে উন্নত মানদণ্ডৰ ইউনিফৰ্ম পৰিধান কৰি দেউতাকৰ গাড়ীত উঠি বেচৰকাৰী মাধ্যমৰ বিদ্যালয়লৈ শিক্ষাগ্ৰহণ কৰিবলৈ যায়। আকৌ কিছুমানৰ সন্তানে কম বয়সতেই শিক্ষা সমাপ্ত কৰি নিজৰ ঘৰখনৰ দায়িত্ব ল'ব লগা হয়- শিলৰ কুৱেৰীত কাম কৰি, হোটেলত বাচন বৰ্তন ধুই নতুবা ৰাস্তাই - ৰাস্তাই ফুটপাথত ভিক্ষা খুজি ।কিছুমানে আকৌ দামী দামী গাড়ীত উঠি নিজৰ কৰ্মক্ষেত্ৰলৈ যায়। আনহাতে এচামে হাতত কোৰ ,দা লৈ ওলাই হাজিৰা কৰিবলৈ। সম্পূৰ্ণ পৃথক, অথচ একেই মানুহ। প্ৰতেকৰে জীৱনশৈলী বেলেগ বেলেগ। এই মহানগৰ খনক ওপৰৰ পৰা চাই সমুদ্ৰই মানুহৰ ভিন্ন জীৱনশৈলীৰ বিষয়ে ভাবি আছে।

সমুদ্ৰগুপ্ত শইকীয়া,বৰ্তমান এগৰাকী সুপ্ৰতিষ্ঠিত ব্যক্তি। এজন চিভিল ইঞ্জিনীয়াৰ, থাকে বাঙ্গালোৰত। এটা বিভাগীয় কামৰ বাবে গুৱাহাটীলৈ আহিছে। লগতে অসমৰ বানপীড়িতসকলৰ সহায় কৰাৰ উদ্দেশ্যে এটা এন. জি. অ. গঠন কৰিছে। অসমৰ বাহিৰত থাকিলেও অসমৰ কেঁচা মাটিৰ গোন্ধই সমুদ্ৰক বৰকৈ আমনি কৰে।

ওপৰৰ বেলকনিৰ পৰা সমুদ্ৰই হঠাতে মন কৰিলে—এজন মানুহে এটা গধুৰ বস্তা নিজৰ পিঠিৰ ওপৰত তুলি এখন ট্ৰাকৰ অভিমুখে কঢ়িয়াই আছে।এই ডিচেম্বৰমহীয়া শীতত মানুহজনৰ শৰীৰত ঘাম বিৰিঙিছে। তদুপৰি এজন ব্যক্তিয়ে মানুহজনক উদ্দেশ্যি পাৰিছে অবাচ্য শব্দৰে গালি-গালাজ। তেখেত নিশ্চয় ইয়াৰ মালিক হ'ব। বস্তাটো নিশ্চয় তেওঁতকৈ অধিক ওজনৰ হ'বাৰ কষ্টেৰে তেওঁ বস্তাটো ট্ৰাকখনত থৈ আহিল।

কি যে মৰ্মান্তিক! হঠাৎ সমুদ্ৰই বুকুৰ ভিতৰত এক যন্ত্ৰণা অনুভৱ কৰিলে। তাৰ মনটোৱে অজানিতে হাহাকাৰ কৰি উঠিল। এই দৃশ্য তাৰ অতিকে চিনাকি আছিল। আজি কিছু বছৰৰ আগেয়ে। হয়,তাৰ দেউতাকেও তেনে কষ্টই কৰিছিল। যাৰ বাবে আজি সমুদ্ৰই এই অৱস্থাত ভৰি দি নিজকে সমাজত এজন সফল ব্যক্তি হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। নিজৰ সন্তানক পিতৃ-মাতৃয়ে সদায় এজন সফল মানুহ হিচাপে গঢ় দিবলৈ যত্ন কৰে। কঠোৰ প্ৰত্যাহ্বান নেওচি অনেক পিতৃ-মাতৃয়ে নিজৰ জীৱনৰ চিন্তা পৰিহাৰ কৰি সন্তানৰ হকে কঠোৰ সংগ্ৰাম কৰে। তেওঁলোকৰ আশা— এদিন নিশ্চয় তেওঁলোকৰ মৰমৰ পোনাটিয়ে তেওঁলোকৰ কষ্ট সাৰ্থক কৰিব। সচাঁকৈয়ে মহান এই পিতৃ-মাতৃসকল।

এসময়ত সমুদ্ৰ ইঞ্জিনীয়াৰিঙ কলেজৰপৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ এজন অভিযন্তা হিচাপে নিজকে পৰিচয় দিছিল। তাৰ এই সফলতাত মাক-দেউতাক আৰু ভনীয়েক সোণালীয়ে এক বুজাব নোৱাৰা প্ৰশান্তি লাভ কৰিছিল আৰু তাক লৈ গৌৰৱ কৰিছিল।ভনীয়েক তেতিয়াও পঢ়িয়েই আছিল। ককায়েক ইঞ্জিনীয়াৰ হোৱাৰ খবৰ পাই তাই আনন্দত কান্দি পেলাইছিল আৰু চুবুৰীয়া সকলোকে কৈ ফুৰিছিল , গৌৰৱ কৰিছিল নিজকে ইঞ্জিনীয়াৰৰ ভনীয়েক বুলি কৈ। বাঙ্গালোৰৰ এক ঔদ্যোগিক প্ৰতিষ্ঠানত সমুদ্ৰৰ চাকৰি হৈছিল। তাৰ চাকৰিৰ পিছতে দেউতাকহঁত সিহঁতৰ পূৰ্বৰ গাঁওখনলৈ ঘূৰি আহিছিল।

কিন্তু.....

সঁচাকৈয়ে ধিক্কাৰ জন্মিছিল তাৰ নিজৰ ওপৰত। সমুদ্ৰৰ চাকৰি হোৱাৰ পাছত পাঁচবছৰ ধৰি নিজা ঘৰখনৰ লগত কোনো যোগাযোগ নাই। নিজৰ কামত সি ইমানেই ব্যস্ত হৈ পৰিছিল যে নিজৰ আপোন মাক-দেউতাকৰ খবৰ এটা লবলৈও তাৰ আহৰি নাই। যি মাক-দেউতাকে তাক মানুহ কৰিবলৈ অকাতৰে ,অম্লান বদনেৰে কঠোৰ পৰিশ্ৰম কৰিছিল; সেই জন্মদাতা পিতৃ-মাতৃক সি কিয় পাহৰি গৈছিল? নিজকে তাৰ এজন নিকৃষ্ট মানসিকতাৰ এজন আততায়ীৰ দৰে লাগিল।

এজন মানুহে জীৱনৰ সফলতাৰ শিখৰত আৰোহণ কৰিবলৈ নিজ পিতৃ-মাতৃৰ আশীৰ্বাদ অবিহনে কেতিয়াও নোৱাৰে। পিতৃ-মাতৃয়েই হৈছে এজন ব্যক্তিৰ সফলতাৰ মূল চালিকা শক্তি। দৰিদ্ৰতাই গ্ৰাস কৰা সত্বেও সমুদ্ৰৰ পিতৃ -মাতৃয়ে তাৰ হকে কৰা

অশেষ ত্যাগ আৰু আত্মবলিদান সঁচাকৈয়ে মহান।কিন্তু সমুদ্রই কৰিলে কি? সি আৰু ভাবিব নোৱাৰিলে। তীব্রগতিত যাবলৈ ধৰিলে।

আজি পাঁচবছৰৰ মুৰত ঘৰলৈ গৈ মাক-দেউতাকক তাৰ সকলোবোৰ কথা ব্যক্ত কৰিব। কিদৰে সি এখন যান্ত্রিক পৃথিৰীৰ মাজত সোমাই এটা যন্ত্র হৈ পৰিছিল;কিদৰে কংক্রীটৰ অৰণ্যত সি নিজকে পাহৰি গৈছিল, কিদৰে পাহৰি গৈছিল আপোনজনক, সকলো ক'ব সি।তেওঁলোকে নিশ্চয় বুজিব। সমুদ্রই ক'ব যে অলপতে সি গুৱাহাটীলৈ বদলি হৈ আহিব আৰু তাতে তাৰ নিজা মাটিত এটা ঘৰ সাজি মাক-দেউতাক,মৰমৰ ভনীয়েকৰ লগত একেলগে থাকিব।

ফাগুন মাহ। গাঁৱৰ ৰাস্তাৰ মাজে মাজে সমুদ্রৰ গাড়ী আগবাঢ়ি গৈছে। সমুদ্রৰ মন-প্রাণ উৰুৱাই লৈ গৈছিল সেই তাহানিৰে চিনাকি ৰিব্-ৰিব্কৈ বলি থকা এজাক পছোৱা বতাহে। পলাশ ফুলবোৰ ৰঙা ৰঙাকৈ ফুলিব ধৰিছিল। লাহে লাহে আবেলি হ'বলৈ ধৰিছিল। পুৱা ৰাংঢালী হৈ ওলোৱা ৰাঙলী সূৰুযৰ আভা লাহে লাহে ম্লান পৰিবলৈ ধৰিছিল। দূৰৈৰ কোনোবা মিচিং গাঁৱৰ এটি ঐনিতমৰ সুৰ ভাহি আহিছিল বতাহৰ লগত। ভাহি আহিছিল কোনোবাই অতি শুৱলাকৈ বজোৱা মনপৰশা এটি বাঁহীৰ সুৰ। মিচিং ডেকাই বজোৱা দুমদুমৰ মাতৰে কাষৰ গাঁওখন ৰজন্জনাই আছিল। সচাঁকৈয়ে এক নান্দনিক দৃশ্য। এনে দৃশ্য বহুদিন ধৰি সমুদ্রই দেখা পোৱা নাছিল। তাৰ মনলৈ আহিছিল দেউতাকৰ সেই গুৰু-গম্ভীৰ অক্লান্ত আৰু মাকৰ মৰমিয়াল, সাদৰী মুখখন। বাৰে বাৰে মনত পৰিছিল সদায় কাজিয়া কৰা সেই আজলী,দন্দুৰী ভনীয়েকৰ সৰল মুখখন।

হঠাৎ সমুদ্রই গাড়ীখন জোৰেৰে ব্রেক মাৰি ৰৈ দিছিল আৰু চা�ৰিওফালে চাবলৈ ধৰিছিল। সি আচৰিত হৈছিল। তাৰ দেখোন ঘৰখন আগেয়ে থকা ঠাইত নাই। কিবা যেন অজান আশংকাত সমুদ্রৰ বুকুখন কঁপিবলৈ ধৰিছিল। ওচৰে-পাজৰে থকা ঘৰসমূহো দেখোন নাই। তাৰ ঠাইত বিশাল ব্রহ্মপুত্র নদী। চাৰিওফালে কেৱল পানী।


সি চাৰিওফালে চাবলৈ ধৰিলে।ক'ত গ'ল তাৰ মাক-দেউতাক?ক'ত গ'ল তাৰ মৰমৰ ভনীয়েক? ক'ত গ'ল সিহঁতৰ ঘৰখন? ক'ত গ'ল সিহঁতৰ গাঁওখন? কেউফালে দেখোন কোনো মানুহৰ উম-ঘামেই নাই। সি কোনোবা বেলেগ ঠাইলৈ আহিল নেকি? নাই নাই ,সেয়া হ'বই নোৱাৰে।সি তাৰ গাঁওখনলৈয়ে আহিছে। যিখন গাঁৱতেই সি তাৰ শৈশৱ পাৰ কৰিছে,যিখন গাঁৱৰ ধূলি-বালি লৈয়েই সি ডাঙৰ হৈছিল কিন্তু গাঁওখন গ'ল ক'লৈ? আৰু তাৰ আপোন মানুহবোৰ!

তাৰ বুকুখন কঁপিবলৈ ধৰিলে। ইতিমধ্যেই সন্ধিয়া নামি আহিব ধৰিছিল। পশ্চিমৰ আকাশ ৰাঙলী হ'বলৈ ধৰিছিল। চৰাই-চিৰিকতিবোৰ ঘৰমুৱা হৈছিল। সমুদ্রই অসহায়ৰ দৰে ইফালে-সিফালে যাবলৈ ধৰিছিল। হঠাৎ এজন মানুহ তাৰ ওচৰলৈ আহিল। সেইজন সিহঁতৰ গাঁৱৰে এজন নিৱাসী কনক।কনকক সমুদ্রই চিনি পাই সুধিছিল, গাঁওখনৰ কথা মাকহঁতৰ কথা। কনকে একো নকৈ মাত্র কান্দিবলৈ ধৰিছিল আৰু কান্দি কান্দিয়েই ক'ব ধৰিছিল সেই ভয়ানক বিভীষিকাময় অভিশপ্ত বৰলুইতৰ প্রলয়ংকাৰী আগ্রাসনৰ কথা।গাঁওখনৰ কেইবাঘৰো মানুহৰ ঘৰ-দুৱাৰ, মাটি-বাৰী লুইতৰ বুকুত জাহ গৈছিল। হৈ পৰিছিল চাৰিওফালে পানী,কেৱল পানী। সেইদিনা ৰাতি শুই থকা অৱস্থাতেই সমুদ্রৰ মাক-দেউতাক আৰু ভনীয়েক সহিতে সমগ্র ঘৰখন উটুৱাই লৈ গৈছিল বাৰিষাৰ সেই ভয়ংকৰ বানৰ কোবাল সোঁতে। আপ্রাণ চেষ্টা চলাইছিল বাচিবলৈ,কিন্তু ব্যর্থ হৈছিল। কনকেও ভুৰ এখনত উঠি বচাবলৈ চেষ্টা কৰিছিল। কিন্তু নিষ্ঠুৰ নিয়তিৰ নিষ্ঠুৰ পৰিহাস! কোনো বাচিব নোৱাৰিলে। সকলো লুইতৰ বুকুত জাহ গ'ল।কথাখিনি কৈয়েই সেই ঠাইৰ পৰা আঁতৰি গৈছিল কনক।

সমুদ্রৰ যেন উশাহ বন্ধ হৈ গৈছিল। সেইদিনা কথাখিনি শুনাৰ পাছত সি পগলাৰ দৰে হৈ পৰিছিল। মুখৰ মাত যেন হেৰাই গৈছিল। কান্দিবলৈও যেন সি পাহৰি গৈছিল। ইতিমধ্যে আন্ধাৰ নামি আহিছিল। লগে লগে আন্ধাৰ নামি আহিছিল তাৰ জীৱনলৈও। সি যেন হেৰুৱাই পেলাইছিল সকলো। গোটেই পৃথিৱীখন যেন অভিশপ্ত, অন্ধকাৰাচ্ছন্ন হৈ পৰিছিল। সি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিছিল। চিঞৰিবলৈ ধৰিছিল-'দেউতা,মা ক'লৈ গ'লা তোমালোক?সোণালী কিয় এৰি গ'লিগৈ মোক?' দিশহাৰা হৈ সি পাগলৰ দৰে চিঞৰিবলৈ ধৰিছিল। কিন্তু সেই চিঞৰৰ তেতিয়া অর্থহীন আছিল। আকাশত এচপৰা ক'লা ডাৱৰে জোনটো ঢাকি ৰাখিছিল। সমুদ্রই মাথো চিঞৰিছিল তাৰ মাক,দেউতাক আৰু ভনীয়েকক।কিন্তু সেই চিঞৰৰ প্রতিধ্বনি....

ইমানপৰে সমুদ্রই কথাবোৰ মহানগৰ খনৰ চাৰিমহলীয়া ঘৰটোৰ ওপৰৰ মহলাৰ বেলকনিত বহিয়েই ভাবি আছিল। বস্তা কঢ়িওৱা মানুহ জন কেতিয়াবাই তাৰ পৰা আঁতৰি গল। ইতিমধ্যে আন্ধাৰ নামি আহিছে। সমুদ্রৰ চকুৰপৰা এধাৰি তপত লোতক তাৰ বাওঁহাতখনত পৰিলহি। সমুদ্র লাহে লাহে ভিতৰলৈ সোমাই গল।

***



আলেখ্যৰ শিতান

স্বপ্নৰ উপত্যকাইদি এই বাটে...

ৰচনা: নয়ন চেতিয়া
প্ৰাক্তন আৱাসী

শিৱসাগৰ কলেজ জয়সাগৰৰ অভিন্ন অংগ পুৰণা ছাত্ৰাৱাস। হাজাৰ সপোনে পাখি মেলা, পোহৰ সন্ধানী কত জনৰ সুখৰ আলয় পুৰণা ছাত্ৰাৱাস। সঁচাই পুৰণা ছাত্ৰাৱাস এক জীয়া আবেগ। OBH ৰ প্ৰতিটো দিনেই একো একোটা জীয়া গল্প, শেষ হৈও শেষ নোহোৱা। পাহৰো বুলিটো ইচ্ছা কৰিলে মানুহে সকলো পাৰে, কিন্তু এই ঘৰখন, ইয়াত পাৰ কৰা সময়বোৰ, ইয়াৰ মানুহবোৰক, কোনোজন আৱাসীয়ে কেতিয়াও পাহৰিব নোৱাৰে । মইও নোৱাৰোঁ, সদায়ে হৃদয়ৰ একোণত ফুলি ৰ'ব স্মৃতিৰ এজোপা শেৱালি হৈ। জীৱনত প্ৰতিটো দিনতেই সোঁৱৰিব পৰাকৈ স্মৃতিৰ টোপোলা উপহাৰ দিয়ে এই ঘৰখনে। বুকুৰ একেবাৰে দ লৈকে শিপাই আছে এই ঘৰখন, ইয়াৰ মানুহবোৰ।

প্ৰতি বছৰেই সেউজীয়া আশা, চকুত তৰুণ হেঁপাহ, বুকুত আকাশ চোৱাৰ সপোন লৈ বহুতো নতুনে খোজ পেলায় পুৰণা ছাত্ৰাৱাসত। এক আচহুৱা পৰিৱেশ, অচিনাকি মুখ ভয় শংকাৰ মাজেৰে সোমাই যায় সপোন সপোন যেন লগা হেঁপাহৰ ঘৰখনলৈ।

জয়াপাৰৰ মায়া লগা সন্ধ্যাখিনি যেন OBH তেই থুপ খাই থাকেহি গধূলি পৰত। প্ৰাৰ্থনাৰ সুৰে গোটেই পৰিৱেশটো মায়াময় কৰি তোলে...

(ব্ৰহ্মা আদি কৰি...)

ৰাতি senior ৰ আগত চিনাকি পৰ্বৰ সময় খিনি উফ... কি ভয়লগা ! নিজৰ নামটো কওঁতেও জিভাত লাগে জঁট। Senior ৰ ঘোপা চাৱনি আৰু junior ৰ কলিজাৰ ধপ্‌ধপনি...

: অই দুৱাৰ খোল

: ৰ ৰ হ'লেই আৰু মোৰ

: আৰে দেৰি নকৰ হা,মোৰ ক্লাচ আছে ৯ টাতে।

এনেকৈ পুৱাৰ পৰাই এটা হুলস্থুলীয়া পৰিৱেশ। বাথৰুমৰ ওচৰত চিঞৰ-বাখৰ। এই ৰাতিপুৱাৰ সময়খিনিত কাৰো কালৈকো চাবলৈ সময় নাই। দৌৰা-দৌৰি, কোনোবা যদি গা ধুবলৈ দৌৰিছে, কোনোবাই আকৌ ভাত খাওঁ বুলি হুলস্থুল লগাইছে। কোনোবাইটো আকৌ চার্ট ঠিক কৰি কৰিয়েই কলেজলৈ খোজ দিছে। এনেদৰেই পুৱাৰ সময়খিনি সকলো ব্যস্ত। এইখনেই সেইখন ঘৰ য'ত হেজাৰ ব্যস্ততাৰ মাজতো এজন আনজনৰ বাবে সাহস; এজাক ডেকাই জীৱনৰ ৩ টা বসন্ত হেঁপাহেৰে উদ্‌যাপন কৰে এই ঘৰখনৰ বাকৰিত যাৰ নাম 'পুৰণা ছাত্ৰাবাস'।

পৰীক্ষাৰ সময়বোৰত OBH ত যেন পালন হয় নিৰৱতাৰ প্ৰতিযোগিতা। অনৱৰতে হৈ চৈ হৈ থকা ঘৰখন সেইকেইদিন নিতালে থাকে। মাজে মাজে ১ নম্বৰ ৰুমৰ পৰা ভাঁহি অহা ভুন্‌ভুননি আৰু বাবুপট্টিৰ পৰা মেটৰ পট্টিলৈ অহা-যোৱা কৰা চেণ্ডেলৰ শব্দ; সময়ে সময়ে টং টং বেলৰ শব্দ। প্ৰতিজন আৱাসীয়েই যেন পালন কৰে মৌনতাৰ উৎসৱ।

বেলৰ কথা ওলালেই যেতিয়া এবাৰ সোঁৱৰাই যাওহঁক। এই বেলটোত আছে এক অদ্ভুত শক্তি। সকলোৰে হাতে হাতে মবাইল, ঘড়ী আছে তথাপিও এই বেলৰ শব্দত হে যেন হোষ্টেলৰ কাঁটা ঘূৰে। সুঁৱৰিব পৰাকৈ চহকী OBH-ৰ স্মৃতি। পাহৰিব জানো পাৰি মাজ নিশাৰ গল্প-গুজবৰোৰ। যেতিয়া গোটেই পৃথিৱী শুই থাকে তেতিয়া OBH-ত সাৰে থাকে এজাক তেজাল ডেকাৰ উন্মাদ যৌৱন।মাজনিশা পাতনি মেলে কথাৰ মেল। কলেজত কোনে কি কৰিলে, কোনে কাৰ ক্লাছ বাং মাৰি চিনেমা চাবলৈ গ'ল, বন্ধুৰ প্ৰেমৰ আখ্যান শুনা, কোনজনী ছোৱালীয়ে কাৰ হৃদয় চুৰ কৰিছে, কাৰ হৰিণী নয়নে কাৰ বুকুত বিজুলী মাৰিছে, এইবোৰ যেন নিশাৰ আড্ডাৰ নিয়মীয়া বিষয়। JCNৰ সবাতোকৈ মৰমলগা ছোৱালীজনীৰ কথা নক'লে জানো হ'ব, OBHৰ আড্ডাত আৰু JCNৰ ছোৱালীয়ে ঠাই নাপাব এনে জানো হ'ব পাৰে!

তোমাক দেখা পালে...(গান)

কেনেকৈ পাহৰো নিশা ১২ বজাত পালন কৰা জন্মদিনৰ কথা। জন্মদিন যাৰেই নহওক বৰষুণত তিতি জুৰুলি-জুপুৰি হোৱাৰ দৰে প্ৰতিটো ল'ৰাই তিতিবই লাগিব, ই যেন হোষ্টেলৰ অঘোষিত নিয়ম। লগে লগে আকৌ warden ছাৰৰ ফোন কল।

হেল্ল', কি হৈছে? কাৰ birthday? বন্ধ কৰা এইবোৰ, ইমান ৰাতি হুলস্থূল...

হোষ্টেল week বুলি ক'লেই যেন হোষ্টেলত আৰম্ভ হয় অলিম্পিক কিম্বা Talent Hunt Show. ক্ৰিকেট, ফুটবল, গল্প, কবিতা, নাচ-গান আৰু নীলা খামৰ চিঠি.....

"মৰমৰ মেঘা,

কেনে আছা তুমি? বহু হেঁপাহেৰে তোমালৈ লিখিছোঁ একলম। তোমাৰ মেঘালী চুলিৰ টো য'ত নাচি উঠে মোৰ সপোনৰ পক্ষীয়ে, তোমাৰ কাজলসনা চাৰনি য'ত জী উঠে মোৰ দুচকুৰ সপোন। তুমি বসন্তৰ এটি গান।

মোৰ কলিজাৰ এফাল।

তুমি ফাগুনৰ পছোৱা

মোৰ হৃদয়ৰ মলয়া।"

বৰষুণ দিলে যেন হোষ্টেললৈ নামি আহে যৌৱন ৰঙৰ উছাহ। কোনোটোৱে যদি হোষ্টেলৰ আগেদি যোৱা ছোৱালীক দেখি চিঞৰে...(য়ে মৌচম কা বাৰিচ)....আৰু কোনোটোৱে গীটাৰত আঙুলি বুলাই আৰম্ভ কৰে প্ৰেমৰ গীত...বাৰিষাৰে বৰষুণে...

হোষ্টেলত যেনেকৈ প্ৰতিটো দিন ভাললগাকৈ উদ্‌যাপন হয়, ঠিক তেনেকৈয়ে এদিন এখন দুখৰ নৈ বয় হোষ্টেলৰ চোতালেদি। হোষ্টেলৰ সকলোতকৈ বেয়া লগা আৰু দুখৰ দিনটো সিদিনাই আহে যিদিনা এজাক ডেকাই অহাৰ বাটেৰে উলটি যায়...অহাৰ দৰে...(গান)

বিচ্ছিন্নতাৰ যন্ত্ৰণাত চটফটাই ৪০/৫০ খন হৃদয়। জীৱনৰ এটা ৰৌদ্ৰোজ্বল অধ্যায় শেষ হোৱাৰ শোকত সেমেকে দুচকুৰ পতা। সিদিনা যেন হোষ্টেলৰ কোঠালীটো, দেৱালখন, ডাইনিং হলটো আনকি হোষ্টেলৰ উৰুখা

চালখনলৈও অলপ বেছিকৈয়ে মোহ জাগে। ল'ৰাবোৰৰ কথা নকওঁৱেই, সকলোৰে চকুত বিৰিঙি উঠে দুখৰ এজাক আবতৰীয়া বৰষুণ। তিনিটা বছৰ ছাঁৰ দৰে থকা মানুহখিনিক হঠাৎ এৰি অহাৰ সময়খিনি মৃত্যুযন্ত্রণাতকৈও বিষময়। প্রতিশ্রুতি দিয়ে পুনৰ লগ পোৱাৰ...

: চা চোন, সৌ সিদিনা আহিছিলোহে আজি যাবৰে হ'ল।

: সঁচাই, সময় বৰ নিষ্ঠুৰ। কেনেবাকৈ এই সময়ৰ কাঁটাডাল ইয়াতেই ৰখাই দিব পৰা হ'লে!

: পৰীক্ষা শেষ, সময় শেষ, সকলো শেষ।

: এই শেষ শব্দটো মই বৰ বেয়া পাওঁ। শেষ বুলিলেই পলকতে সকলো শেষ হ'ব পাৰেনে?

: শেষৰ পাছতো কিবা এটা ৰৈ যায় অ'।

: শেষৰ পাছত যিখিনি ৰৈ যায় তাত মোহ থাকে, জীৱন থাকে আৰু তহঁতৰ দৰে ভাই-ককাই থাকে আৰু থাকে OBH ৰ দৰে এখন ঘৰ। শেষৰ পাছতো নিজৰ বুলি দাবী কৰিব পৰাকৈ একেবাৰে কলিজাৰ আপোন।

সময়ৰ বালিত দিয়া খোজ এনেকৈয়ে এদিন অকলে অহা প্রতিজন আৱাসীয়ে লগত লৈ যায়—এটা পৰিয়াল, এখন ঘৰ।

যি এই ঘৰখনত এবাৰ আশ্রয় লয় সি জীৱনলৈ বুকুত লৈ যায় ঘৰখনক। আমিও এনেদৰেই এদিন খোজ দিছিলোঁ OBHৰ বাকৰিত এটা সপোনৰ পম খেদি। ভয় শংকাৰে পাতনি মেলা দিনবোৰ মৰম, ভাল লগা আৰু হেঁপাহৰে শেষ হয়, যেন শেষ হৈও লেখ নোহোৱা এটা কাহিনীৰ দৰেই। কোনোবাই সুধিছিল কি আছে OBH-ত? কি পোৱা ভগা ঘৰটোত? আমি গৌৰৱেৰে কওঁ..... OBH-ত এখন পৃথিৱী আছে, এটা পৰিয়াল আছে, এটা জীৱন আছে। ভগা চাৰিবেৰৰ ভিতৰত আমি নিজক বিচাৰি পাওঁ, বিচাৰি পাওঁ সুখৰ চেঁকুৰা, হাঁহি আৰু সাহস। (দ্বৈত কণ্ঠ)

OBH মানে বন্ধুত্ব, ভাতৃত্ববোধ আৰু একতা। সকলোৱে হাতে হাত ধৰি আগুৱাই যায় পোহৰৰ দিশে...

পোহৰ বিচাৰি যাওঁ

পোহৰ বিচাৰি যাওঁ

পোহৰ বিচাৰি যাওঁ...

***

বর্তমানৰ পুৰণা ছাত্ৰাৱাসৰ আৱাসী সকল

বি.এড তৃতীয় ষাণ্মাসিক



বিক্রম জিৎ দাস
টীয়ক তেলীয়া গাওঁ(যোৰহাট)

স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক



মুকুন্দ মাধব কোঁচ
ইতিহাস বিভাগ
ঢকুৱাখনা, লখিমপুৰ



নৱজিৎ গগৈ
জীৱ বিজ্ঞান বিভাগ
আমগুৰি টাউন ৱার্ড নং ৬



পল্লৱ গগৈ
জীৱ বিজ্ঞান বিভাগ
দোপদৰ বুঢ়াগাওঁ, আমগুৰি

স্নাতক পঞ্চম ষাণ্মাসিক



আগম পেগু
ভূতত্ত্ব বিজ্ঞান বিভাগ
জোনাই,ধেমাজি



অনল পাংগিং
প্রাণী বিজ্ঞান বিভাগ
দিচাংমুখ, মাজৰবাৰী



অৰুণ পেগু
উদ্ভিদ বিজ্ঞান বিভাগ
ঢকুৱাখনা, লক্ষিমপুৰ



বাস্তৱ শইকীয়া
গণিতশাস্ত্র বিভাগ
টীয়ক, যোৰহাট



দেৱপ্রতিম শইকীয়া
ইংৰাজী বিভাগ
ঢেঁকীয়াখোৱা গাঁও, যোৰহাট



ধীৰাজ সোনোৱাল
বুৰঞ্জী বিভাগ
বৰহাট, চৰাইদেউ



কার্চিক তাকাৰ মিপুন
উদ্ভিদ বিজ্ঞান বিভাগ
তৰাজান গাঁও, জোনাই



লক্ষ্যদ্বীপ বৰা
পদার্থ বিজ্ঞান বিভাগ
বহুৱাবাৰী গাওঁ (ডিমৌ)



মানস প্রতিম চেতিয়া
ৰাজনীতি বিজ্ঞান বিভাগ
লেপাই গাঁও, দিচাংমুখ

স্নাতক তৃতীয় ষাণ্মাসিক



অংশু কেঙঁট
পদার্থ বিজ্ঞান বিভাগ
বৰবাম চাহ বাগিচা, আমগুৰি



অনুৰাগ এম. চাংমা
ভূতত্ত্ব বিজ্ঞান বিভাগ
মাকুম, তিনিচুকীয়া



বেদব্রত দত্ত
অর্থনীতি বিভাগ
কচুমাৰি, মৰাণ



দীপজ্যোতি চুতীয়া
অণুবিদ্যু বিভাগ
মিধাখাট, টিয়ক, যোৰহাট



ঈশান বৰুৱা দে
ভূতত্ত্ব বিজ্ঞান বিভাগ
মৰাণ



মানৱ জ্যোতি কপ্তাক
ৰসায়ন বিজ্ঞান বিভাগ
বলমা গাঁও, দিচাংমুখ



পার্থ প্রতীম হাতীমূৰীয়া
প্রাণীবিজ্ঞান বিভাগ
হাতীমূৰীয়া গাঁও, শিমলুগুৰি



ঋতুৰাজ গগৈ
পদার্থ বিজ্ঞান বিভাগ
আমগুৰি



ত্রিবিক্রম মিলি
ভূতত্ত্ব বিজ্ঞান বিভাগ
চাপাখোৱা, শদিয়া

স্নাতক প্রথম ষাণ্মাসিক



হৰিশ চাংমাই
বুৰঞ্জী বিভাগ
লেঙেৰী, ন-চাংমাই গাওঁ, ডিব্রুগড়



পংকজ প্রতিম বৰগোঁহাই
প্রাণীবিজ্ঞান বিভাগ
মৰাণহাট, চৰাইদেউ



পলাশ প্রতিম দত্ত
ৰসায়ন বিজ্ঞান বিভাগ
ৰাঙলী,২ নং নিৰ্মলীয়া (চৰাইদেউ)



প্রজ্ঞান সোণোৱাল
প্রাণীবিজ্ঞান বিভাগ
সোণাৰি, চৰাইদেউ



সৌৰভজিত মেচ
পৰিসংখ্যা বিভাগ
হালোৱাটিং, আমগুৰি



শান্তনু মহন
শিক্ষাতত্ত্ব বিভাগ
চেপন, চৰাইদেউ



তিক্ষিৰাজ শইকীয়া
পদার্থবিজ্ঞান বিভাগ
নাহৰপুখুৰী কোঁৱৰ গাঁও, বৰহাট

স্নাতক প্রথম ষাণ্মাসিক



স্নাতক তৃতীয় ষাণ্মাসিক



স্নাতক পঞ্চম ষাণ্মাসিক



স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক



বি. এড তৃতীয় ষাণ্মাসিক



ছাত্রাৱাসৰ বৰ্তমানৰ আৱাসীসকল (২০২৫)



পুৰণা ছাত্ৰাবাসৰ ‘অন্বেষণ’ অনুষ্ঠানৰ কিছু দৃশ্যাংশ







হোষ্টেলত অনুষ্ঠিত বিভিন্ন অনুষ্ঠানৰ কিছু দৃশ্যাংশ



'স্বপ্নৰ উপত্যকাইদি এই বাটে...' আলেখ্যখনৰ একাংশ



প্ৰাক্তন আৱাসী সৌৰভ দ'লে (আৰক্ষী)-ৰ লগত এক্ষন্তেক



নৱাগত সকলৰ পুৰস্কাৰ বিতৰণীৰ আগমূহুৰ্তত



নৱাগত আদৰণি সভা (২০২৩ বৰ্ষ)



জয়া ছাত্ৰী নিবাসৰ নৱাগত আদৰণি সভাত (২০২৩)



নিৰ্ব্বাচনৰ সময়ত (২০২৩)



গণতন্ত্ৰ দিৱস‌ত



নৱাগত আদৰণি সভা (২০২৪ বৰ্ষ)



শংকৰদেৱ‌তিথি উদযাপন



নীলা খামৰ চিঠি



জন্মাষ্টমী উপলক্ষে



স্বাধীনতা দিৱস (২০২৫)






RIKHAV






BOYS' HOSTEL
SIBSAGAR COLLEGE JOYSAGAR
ESTD-1952

Old Boys' Hostel

Cultural/Sports/Academic Achievements

Sl. No.	Name	Achievements
1	Partha Pratim Hatimuria	1st position in the All Assam On the Spot Essay writing Competition organised by Lok-Krishti Gaveshana Unnayan Saimiti
2	Debapratim Saikia	2nd position in Borgeet and Group Song (folk) in Versity Week, Sibsagar University
3	Arun Pegu	Bronze Medal in Woodball (Men's Double) organized by All India Inter-University (AIU)
4	Bastob Saikia	2nd position in 200 m race 3rd position in 100 m race
5	Pallab Gogoi	2nd position in Mime (Group) 1st position in Tug of War (Group)
6	Tribikram Mili	1st position in Folk Song (Group) 3rd position in Mannequin (Group)
7	Karsik Mipun Takar	3rd position in folk dance (group) in Versity week, Sibsagar University State player in Taekwondo

SIBSAGAR UNIVERSITY

Old Boys' Hostel

List of Monitors

Sl. No.	Name	Session
1	Pragyanjyoti Gogoi	2008-09
2	Lakhi Narayan Gogoi	2009-10
3	Sachin Patir	2010-11
4	Purbajyoti Phukon	2011-12
5	Bhaskarjit Borah	2012-13
6	Montu Sonowal	2013-14
7	Debashis Gogoi	2014-15
8	Kashyapjyoti Borah	2015-16
9	Prafulla Sonowal	2016-17
10	Koruna Gogoi	2017-18
11	Nayan Chetia	2018-19
12	Nayan Chetia	2019-20
13	Biswajit Hazarika	2020-21
14	Harikishan Gogoi	2021-22
15	Debashis Gogoi	2022-23
16	Nabajit Gogoi	2023-24
17	Kalyan Kumar Gogoi	2024-25
18	Bastob Saikia	2025-26

SIBSAGAR UNIVERSITY

Old Boys' Hostel

List of Superintendents

Sl. No.	Name	Session
1	Dr. S.S. Zaman	NA-2004
2	Mr. Ajit Kumar Das	2005-2021
3	Dr. Parag Rajkhowa	2021-Present

Old Boys' Hostel

Hostel Management Committee


Sl. No.	Name	Designation
1	Dr. Parag Rajkhowa	Hostel Superintendent
2	Bastob Saikia	Hostel Monitor
3	Debapratim Saikia	Co-Monitor
4	Bedabrat Dutta	Auditor
5	Pallab Gogoi	Librarian
6	Nabajit Gogoi	Academic
7	Dhiraj Sonowal	Food and Nutrition
8	Bikram Jit Das	Cultural and Music
9	Tribikram Mili & Dipjyoti Chutia	Games and Sports
10	Lakhyadeep Borah & Tikshiraj Saikia	Electriticity
11	Rituraj Gogoi, Manab Jyoti Kaptak & Anurag M Sangma	Cleaning and Hygiene
12	Agam Pegu & Anshu Keot	F.A. Box
13	Bedabrat Dutta	Water Supply

Old Boys' Hostel


Members of the Anveshan, a Semi-Monthly Program

Sl. No.	Name	Designation
1	Dr. Prafulla Chandra Kalita	Advisor
2	Dr. Prarag Rajkhowa	Advisor
3	Adesh Dey	Advisor
4	Nayan Chetia	Advisor
5	Prokash Gogoi	Advisor
6	Bastob Saikia	Secretary
7	Nabajit Gogoi	Ex-Officio Member
8	Pallab Gogoi	Member
9	Mukunda Madhab Konch	Member
10	Bikram Jit Das	Member
11	Debopratim Saikia	Member
12	Manash Chetia	Member
13	Karsik Takar Mipun	Member
14	Anal Panging	Member
15	Dhiraj Sonowal	Member
16	Lakhyadeep Borah	Member
17	Agam Pegu	Member
18	Arun Pegu	Member
19	Deepjyoti Chutia	Member
20	Anurag M. Sangma	Member
21	Rituraj Gogoi	Member
22	Anshu Keot	Member
23	Manab Jyoti Kaptak	Member
24	Tribikram Mili	Member
25	Eshan Baruah Dey	Member
26	Partha Pratim Hatimuria	Member
27	Tikshiraj Saikia	Member
28	Palash Pratim Dutta	Member
29	Harish Changmai	Member
30	Shantanu Mohan	Member
31	Pankaj Pratim Buragohain	Member
32	Pragyan Sonowal	Member
33	Sauravjit Mech	Member
34	Bedabrat Dutta	Auditor

২০১০ বৰ্ষৰ পৰা ২০১৯ বৰ্ষলৈ প্ৰকাশিত সপ্তস্বৰা বেটুপাতৰ একাংশ



২০১০ বৰ্ষ




২০১২ বৰ্ষ



২০১৬ বৰ্ষ





২০১৭ বৰ্ষ




২০১৯ বৰ্ষ


জয়াপাৰৰ সৌন্দৰ্য














হোষ্টেল সংগীত

কথা: ৰাজীৰ নেওগ

সুৰ: অঞ্জন শইকীয়া, ৰাজীৰ নেওগ

শিল্পী আমি
আই অসমীৰ
আইৰে জয়গান গাওঁ
ন-সমাজৰ, ন-আলোকেৰে
আই তোৰ মুখ উজ্বলাও

সুজলা সুফলা শস্য শ্যমলা
ৰূপে গুণে ভৰা
তুলনাবিহীন আই আমাৰ
পৃথিৱীৰ কতো নাই
ন-সমাজৰ ন-আলোকেৰে
আই তোৰ মুখ উজ্জ্বলাও

চাহ বাগিচাৰে আমি বনুৱা
মাদলৰ তালে তালে
ঝুমুৰ নাচি যাওঁ
বিহুৰ তলিত বিহু মাৰো
আমি বিহুৱা
দেশৰ হকে যুঁজি মৰো
আমি ৰণুৱা

বিহুটি আহিল ঢোলে দগদগায়
পেপাটি বাজিলে দেহা চমচমায়
বিহুৰে তলিতে তোৰে মৰমতে
বনগীত এফাঁকি গাওঁ।

সপ্তস্বৰা

পুৰণা ছাত্রাৱাস
শিৱসাগৰ বিশ্ববিদ্যালয়
২০২৫-২৬ বৰ্ষ



পুৰণা বিৰিখৰ ৰূপহী বাকৰিত
অংকুৰিত এজাক তেজাল ৰণুৱা,
যি ডেউকা কোবাই উৰিব
সৌ আকাশৰ বিশাল হৃদয়ত,
তমসাৰ দুৰ্গম পথ অতিক্রমি
খোজ ল'ব ন আলোকৰ সন্ধানত,
সিহঁত আকৌ ওলটি আহিব
বিৰিখৰ স্মৃতিৰ কোলাত ক্ষন্তেক জিৰাবলৈ।